DAILY ASSAM

# দ্বিতীয় ভাগ

## বুৰঞ্জী

DAILY ASSAM

পঞ্চম অধ্যায়

# ৰাষ্ট্ৰ আৰু ইয়াৰ বিকাশ

## প্ৰয়োজনীয় তথ্য

প্ৰাচীন প্ৰাগজ্যোতিষ-কামৰূপত ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াই স্বকীয়তা বহন কৰিছে। অঞ্চলটোৰ ভৌগোলিক আৰু ৰাজনৈতিক বিস্তৃতি সম্পৰ্কে ভিন্ন ভিন্ন তথ্যৰ পৰা জানিব পাৰি। জনজাতীয় শাসনশৈলী অতিক্ৰম কৰি ৰজাৰ তত্ত্বাৱধানত ৰাজ্য পৰিচালনা হোৱালৈকে কামৰূপে কেবাটাও স্তৰ অতিক্ৰম কৰিছিল। ৰাজনৈতিক সংৰচনাত প্ৰাচীন কালত বৰ্মন বংশৰ পৰা পাল বংশলৈকে আৰু মধ্যযুগত উজনি ব্ৰহ্মপুত্ৰ উপত্যকাত গঢ়ি উঠা আহোম ৰাজ্যই অঞ্চলটোৰ দিক নিৰ্ণয় কৰিছিল।

**ৰাষ্ট্ৰৰ আৰম্ভণি ঃ**

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ সাতখন ৰাজ্যই (বৰ্ত্তমান ছিকিম প্ৰদেশকো উত্তৰ-পূব ভাৰতৰ ভিতৰত সংযুক্ত কৰি দিয়াত ইয়াৰ মুঠ ৰাজ্যৰ সংখ্যা আঠখনলৈ বৃদ্ধি পাইছে) আগুৰি থকা অঞ্চলটোৰ কেন্দ্ৰবিন্দুত থকা ৰাজ্যখনেই হ'ল— অসম। প্ৰায় ৭৮,৪২৩ বৰ্গকিলোমিটাৰ আয়তনৰ এই অসম ৰাজ্যখন প্ৰধানভাৱে ব্ৰহ্মপুত্ৰ উপত্যকা কেন্দ্ৰিক হ'লেও ইয়াৰ ভিতৰত বৰাক উপত্যকাৰো এক প্ৰধান অংশ সোমাই আছে। আনহাতে, ভৌগোলিকভাৱে বিচ্ছিন্ন আৰু ভাৰতৰ অন্যান্য ঠাইৰ পৰা দূৰত দুৰ্গম উত্তৰ-পূৰ প্ৰান্তত অৱস্থিত হ'লেও অসম অতি প্ৰাচীন কালৰেপৰাই এখন জনবসতিৰ ঠাই ৰূপে চিহ্নিত হৈ আহিছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিস্তৃত ব্ৰহ্মপুত্ৰ নদীৰ পলসুৱা দুয়োপাৰৰ সমতল ভূমিতেই গঢ়লৈ উঠিছিল ইয়াৰ প্ৰাচীন সভ্যতাই। এই সমতল ভূমিকে কেন্দ্ৰ কৰি গঢ়ি উঠিছিল প্ৰাচীন প্ৰাগজ্যোতিষ বা কামৰূপ ৰাজ্য। আজিৰ অসম প্ৰাচীন সেই প্ৰাগজ্যোতিষ-কামৰূপ ৰাজ্যৰে ৰাজনৈতিক আৰু ভৌগোলিক ক্ৰমবিকাশহে।

প্ৰাচীন ফলি আৰু সাহিত্যসমূহত 'প্ৰাগজ্যোতিষ' নামটো 'লৌহিত্য' (লোহিত, লুইত) বা ব্ৰহ্মপুত্ৰৰে একে কৰিও কোনো কোনো তথ্যত দেখুওৱা হৈছিল। আনকি, বহু সময়ত 'লৌহিত্য' শব্দেৰে প্ৰাগজ্যোতিষ ৰাজ্যৰ ভৌগোলিক অঞ্চলখিনিকো বুজোৱা হৈছিল। তদুপৰি, প্ৰাগজ্যোতিষ নামৰ লগত 'কামৰূপ' নামটোও ব্যৱহাৰ কৰি দুয়োটা নামকে প্ৰায় একাকাৰ কৰা হৈছিল। সেয়েহে অনুমান কৰিব পাৰি যে এই তিনিওটা নামকে ৰাজ্যখন বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল।

প্ৰাগজ্যোতিষ বা কামৰূপ দুয়োটা নামৰে উৎপত্তি উৎস বেলেগ বেলেগ। প্ৰাচীন সংস্কৃত শাস্ত্ৰত উল্লেখ কৰা কিংবদন্তিমতে প্ৰাগজ্যোতিষ আছিল জ্যোতিষচৰ্চা আৰু সূৰ্যপূজাৰ দেশ। পিছে ড° বাণীকান্ত কাকতিৰ মতে প্ৰাগ্‌জ্যোতিষ নামটোৰ উৎস মূলতঃ অষ্ট্ৰিক ভাষাৰ, আৰু তাকে সংস্কৃতৰ ৰূপ দিহে শাস্ত্ৰকাৰসকলে তাক প্ৰাগ্‌জ্যোতিষ কৰিছে। সংস্কৃতকৰণৰ প্ৰক্ৰিয়াত প্ৰাচীন শাস্ত্ৰকাৰসকলে নানান ধৰণৰ কিংবদন্তি তৈয়াৰ কৰিছিল। কালিকা পুৰাণ নামৰ প্ৰায় দশম-একাদশ শতিকামানত ৰচনা কৰা পুথিত উল্লেখ আছে যে এই ঠাইতেই থাকি সৃষ্টিকৰ্তা ব্ৰহ্মাই গ্ৰহ-উপগ্ৰহ সৃষ্টি কৰিছিল।

> বোধ হয় তেনে কিংবদন্তিৰ আলমতেই নটা শিৱলিংগ একেলগে থকা স্থল গুৱাহাটীৰ নৱগ্ৰহ পাহাৰৰ সেই নাম হৈছে।

খ্ৰীঃ চতুৰ্থ শতিকামানৰ পিছৰ পৰা কামৰূপ নামটোৰ প্ৰচলন হয়। এতিয়ালৈকে প্ৰতিষ্ঠিত হোৱা প্ৰাচীন তথ্যসমূহৰ ভিতৰত গুপ্তসম্ৰাট সমুদ্ৰগুপ্তৰ (খ্ৰী. ৩৫০-৩৭৫) এলাহাবাদ বিখ্যাত স্তম্ভ লিপিত কামৰূপ নামটো প্ৰথম উল্লেখ কৰা দেখা যায়। সেই সময়ৰ সংস্কৃত সাহিত্যৰাজিৰ ভিতৰত কালিদাসৰ 'ৰঘুবংশ' নামৰ গ্ৰন্থতো কামৰূপ নামটোৰ প্ৰথম ব্যৱহাৰ হোৱা দেখা যায়।

প্ৰাগ্‌জ্যোতিষ নামটোৰ উৎপত্তিৰ দৰে কামৰূপ নামটোও পণ্ডিতসকলৰ মতে মূলতঃ সংস্কৃতকৰণৰ ফল। ড° বাণীকান্ত কাকতিৰ মতে কামৰূপ শব্দটো মূল চাম্বালী 'কামৰূ ' বা 'কামৰূত'ৰ

পৰা আহিছে। ইয়াৰ অৰ্থ যাদু বা প্ৰেতাত্মাক আহ্বান কৰা বিদ্যা। উল্লেখ যে প্ৰাগজ্যোতিষপুৰ নামটোৰ দৰে কামৰূপ নামটোৰ উৎপত্তিৰ বিষয়েও প্ৰাচীন সংস্কৃত শাস্ত্ৰত-এটা কিংবদন্তি আছে। সেই কিংবদন্তি মতে, শিৱৰ দাৱানলত পতিত হৈ হিন্দুৰ প্ৰেমৰ দেৱতা কামদেৱ মৃত্যুমুখত পৰে। সেই কাৰণেই প্ৰাচীন প্ৰাগজ্যোতিষপুৰ ৰাজ্যৰ নাম কামৰূপ হয়। কালিকা পুৰাণৰ উল্লেখমতে প্ৰাগজ্যোতিষত নৰকাসুৰ ৰজা হোৱাৰ পিছতেই ৰাজ্যখনৰ নাম কামৰূপ হয়।

খ্ৰীঃ ১৫-১৬ শতিকামানৰ পৰা অসম নামটো আৰম্ভ হয়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ উজনিভাগত প্ৰায় ছশবছৰকাল ৰাজত্ব কৰি যোৱা আহোম ৰাজবংশৰ নাম অনুসৰি তেওঁলোকৰ অধিকৃত অঞ্চলটোক বুজাবলৈ 'অসম' নামটো প্ৰচলিত হয় আৰু এই ৰাজ্যখনেই পিছলৈ উত্তৰ-পূৰ্বাঞ্চলৰ বৃহত্তম ৰাজ্য হিচাপে জনাজাত হয়। অসমীয়া সাহিত্যত বোধহয় অসম নামটো সৰ্বপ্ৰথমে মহাপুৰুষ শংকৰদেৱেই ব্যৱহাৰ কৰিছিল আহোম মানুহখিনিক বুজাবলৈ। পিছত তেওঁলোকৰ নামেই তেওঁলোকৰ ৰাজ্যখনৰ নাম হৈ পৰে।

বৰ্তমান অসমখন প্ৰাচীন কামৰূপ বা প্ৰাগজ্যোতিষ ৰাজ্যৰ প্ৰকৃত ভৌগোলিক প্ৰতিভূ নহয়। সেয়ে আজিৰ অসমৰ ভৌগোলিক পৰিসীমাৰ মাধ্যমেৰে কামৰূপ বা প্ৰাগজ্যোতিষৰ চাৰিসীমা অনুমান কৰি ল'ব নোৱাৰি। আনহাতে এই ৰাজ্যৰ প্ৰাচীন কালৰ ভৌগোলিক চাৰিসীমাও স্পষ্টভাৱে উল্লেখ পোৱা নাযায়, অন্ততঃ ৰজাঘৰীয়া তথ্যত। প্ৰাপ্ত সমলৰ ওপৰত ভিত্তি ক'ব পাৰি যে কামৰূপ-প্ৰাগজ্যোতিষৰ পৰিসীমা বিভিন্ন সময়ত অপৰিৱৰ্তিত নাছিল আৰু সেইবাবে এই ভৌগোলিক পৰিসীমাই বহু শতিকাজুৰি একেলেথাৰিয়ে বিশেষ স্থায়িত্বও লাভ কৰিব পৰা নাছিল। তথাপি, এটা কথা সুনিশ্চিত যে কামৰূপ ৰাজ্যখনৰ উত্থানৰ শীৰ্ষতম পৰ্যায়ত ইয়াৰ উত্তৰে পাহাৰীয়া অঞ্চলৰ নামনিভাগ আৰু ভূটানৰ কিছু অংশ কামৰূপ ৰাজ্যৰ সীমাৰ ভিতৰত সোমাইছিল আৰু দক্ষিণ-পশ্চিমফালে বৰ্তমান বাংলাদেশৰ কিছু অঞ্চল পৰ্যন্ত ইয়াৰ সম্প্ৰসাৰণ হৈছিল। খ্ৰীঃ ১ম-২য়শতিকা মানৰ পৰা ৰাজ্যখনৰ পশ্চিম সীমা কৰতোয়া নদীতেই অন্ত পৰিছিল যেন অনুমান হয়। সেই সময়ত উত্তৰ বংগ, বিহাৰ আৰু পশ্চিমলৈ সমগ্ৰ ভাৰততে সাম্ৰাজ্যৰূপী ৰাজ্য একোখন বা সৰু প্ৰান্তীয় ৰাষ্ট্ৰবোৰ গঢ়ি উঠিছিল। অৱশ্যে সেই সময়ৰ কৰতোয়া নদীৰ অৱস্থান উত্তৰ-বংগৰো ভালেখিনি অঞ্চল পূৰ্বলৈ এৰিহে আছিল। পূব দিশত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে হাবি-জংঘল বা অৰণ্যৰ মাজে মাজে ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীবোৰে বসবাস কৰি আছিল। মহাভাৰতত উল্লেখ আছে যে-সেই সময়ত উত্তৰ-পূৱ অঞ্চলৰ পাহাৰীয়া আৰু নদীকাষৰীয়া অঞ্চলসমূহত 'চীনা' আৰু 'কিৰাট' জাতীয় লোকসকলে বাস কৰিছিল।

খ্ৰীঃ ৪ৰ্থ শতিকামানৰ পৰা কামৰূপ ৰাজ্যখনৰ ভৌগোলিক বিস্তৃতিৰ বিষয়ে কিছু তথ্য পাব পাৰি। অন্ততঃ উত্তৰ ভাৰতৰ গুপ্তৰজাসকলৰ সময়ত গঙ্গা-ব্ৰহ্মপুত্ৰৰ সংগমৰ পূব পাৰলৈকে কামৰূপ ৰাজ্যৰ পশ্চিম সীমা বিস্তৃত আছিল। পূৰ্বে উল্লেখ কৰি অহা হৈছে যে ইতিমধ্যে উদ্ধাৰ কৰা প্ৰাচীন কালৰ ফলিসমূহৰ ভিতৰত সম্ৰাট সমুদ্ৰগুপ্তৰ এলাহাবাদ শিলালিপিত কামৰূপ ৰাজ্যৰ নামটো প্ৰথম ব্যৱহাৰ হোৱা দেখা যায় আৰু তাত ইয়াক এখন সীমান্তৱৰ্তী ৰাজ্য হিচাপে উল্লেখ কৰা হৈছে। কিন্তু সেই সময়তো

কামৰূপ ৰাজ্যৰ পূব সীমাৰ বিশেষ বিস্তৃতি হৈছিল বুলি ক'ব নোৱাৰি। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে গঢ় লৈ উঠা শোণিতপুৰৰ বাণ অসুৰৰ ৰাজ্যখন কামৰূপ ৰাজ্যৰ হেঁচাত ভাগি-ছিগি গৈ ইয়াৰ লগত মিলি গৈছিল যদিও উত্তৰ-পূব সীমান্তত ঠন ধৰি উঠা কুণ্ডিল ৰাজ্য তেতিয়াও বৰ্তমানৰ লক্ষীমপুৰৰ পৰা ডিব্ৰুগড়-শদিয়ালৈ বিস্তৃত হৈ আছিল। সমসাময়িকভাৱে দক্ষিণ পাৰেও নগাঁৰৰ অধিকাংশ ঠাই আৰু ইয়াৰ কেউকাষৰ অঞ্চলসমূহ সামৰি ডবকা নামৰ ৰাজ্য এখন গঢ়ি উঠিছিল। খ্ৰীঃ ষষ্ঠ শতিকামানৰ আগলৈকে ই কামৰূপ ৰাজ্যৰ ভিতৰুৱা হোৱা নাছিল। গতিকেই খ্ৰীঃ প্ৰথম শতিকামানৰপৰা আৰম্ভ কৰি জনগোষ্ঠীয় লোকসকলৰ মাজত আৰম্ভ হোৱা দুই চাৰিখন সৰু সৰু ৰাজ্যৰ কাৰণে বৃহৎ কামৰূপ ৰাজ্যখনৰ ৰাজনৈতিক-ভৌগোলিক পৰিসীমা সীমিত হৈ ৰ'বলৈ বাধ্য হৈছিল। অৱশ্যে ডবকা আৰু শোণিতপুৰ ৰাজ্য কামৰূপ ৰাজ্যৰ লগত অন্তৰ্ভুক্ত হৈ গ'লেও পূবৰ কুণ্ডিল ৰাজ্যৰ বুকুত গঢ় লৈ উঠিছিল পিছৰ যুগৰ চুতীয়া ৰাজ্য। চুতীয়া ৰাজ্যখনে ১৬ শতিকাপৰ্যন্ত নিজৰ স্বাধীনতা বজাই ৰাখিবলৈ সক্ষম হৈছিল। সেই সময়ছোৱাৰ ভিতৰত কামৰূপ ৰাজ্যৰ যি চৰম বিস্তৃতি লাভ হৈছিল সি বৰ্মন বংশীয় শেষ ৰজা কুমাৰ ভাস্কৰ বৰ্মনৰ দিনতেই হৈছিল। সেই সময়ত উত্তৰ-পূব আৰু দক্ষিণ-পূবে থকা পাহাৰীয়া অঞ্চলসমূহৰ পাদদেশ পৰ্যন্ত-বিস্তীৰ্ণ ভূ-খণ্ড যতদূৰ সম্ভৱ কামৰূপ ৰাজ্যৰ ভৌগোলিক সীমাৰ ভিতৰত সোমাইছিল বা ইয়াৰ বহিঃসীমাই স্পৰ্শ কৰিছিল। চীনদেশীয় বৌদ্ধ ভিক্ষু হিউয়েনচাঙৰ মতে তেওঁ পুন্দ্ৰবৰ্ধনৰ (উত্তৰবংগ) পূব সীমাত থকা এখন ডাঙৰ নৈ (কৰতোয়া) পাৰ হৈ কামৰূপ ৰাজ্যত সোমাইছিল। গতিকে, কামৰূপৰ পশ্চিমসীমা তেতিয়াও কৰতোয়াতেই সীমাবদ্ধ আছিল।

খ্ৰীঃ দশম শতিকামানত কামৰূপৰ পালৰজাসকলৰ দিনত ৰচনা কৰা কালিকা পুৰাণখনৰ পৰা ৰাজ্যখনৰ মোটামুটিভাৱে এক স্পষ্ট ভৌগোলিক সীমাৰ ধাৰণা পোৱা যায়। কাৰণ-খ্ৰীঃ দশম-একাদশ শতিকালৈ, অন্ততঃ ঐতিহাসিক কালৰ আৰম্ভণি খ্ৰীঃ ৪ৰ্থ শতিকামানৰ পৰা এই প্ৰায় ছশ বছৰ কালত বৰ্মন শালস্তম্ভ আৰু পালবংশীয় ৰজা সকলৰ সময়ত ই এক বিস্তৃত পৰিসীমা লাভ কৰিছিল। কালিকা পুৰাণখনত কোৱা হৈছে যে কামৰূপৰ পশ্চিমসীমা কৰতোয়ালৈকে আছিল তেতিয়া এই ৰাজ্যৰ আকাৰ ত্ৰিভুজ এটাৰ দৰে আছিল। কৰতোয়াৰ পৰা দিক্কৰবাসীনীলৈ (কোনো কোনোৰ মতে দিক্ৰাই বা দিক্ৰং নদী) বিস্তৃত ইয়াৰ দৈৰ্ঘ্য ১০০ যোজন আৰু প্ৰস্থ ৩০ যোজন (১ যোজন = ১৫ মাইল) আছিল। পূবে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ কিছু অঞ্চলসহ বৰ্তমান তেজপুৰ, গুৱাহাটী সামৰি ইয়াৰ পশ্চিমলৈ পৰিসৰ আছিল ক্ৰমে বহল। আনহাতে ৩০ যোজনৰ দৈৰ্ঘ্যই হয়তো ত্ৰিভুজাকাৰ ৰাজ্যখনৰ ভূমি স্পৰ্শ কৰা দুই-বাহুৰ দৈৰ্ঘ্যক বুজাইছিল বা হয়তো মধ্যমাৰ জোখৰ সমান আছিল। গতিকে কৰতোয়াৰ পৰা দিকৰাই (বা দিকং) পৰ্যন্ত ৪৫০ মাইল (১ যোজন ১৫ মাইলৰ সমান) দৈৰ্ঘ্যৰ বিস্তীৰ্ণ অঞ্চলেই আছিল দশম একাদশ শতিকাৰ কামৰূপ ৰাজ্য। আনুমানিক ১৬ শতিকাৰ ৰচনা 'যোগিনীতন্ত্ৰ' আৰু 'হৰগৌৰী সম্বাদ'ত এই সমগ্ৰ অঞ্চলৰ চাৰিটা ভাগ আছিল বুলি উল্লেখ আছে। কৰতোয়াৰপৰা সোণকোষলৈ ৰত্নপীঠ, সোণকোষৰ পৰা কপিলীলৈ কামপীঠ, পুষ্পিকাৰ পৰা ভৈৰৱীলৈ স্বৰ্ণপীঠ বা ভদ্ৰপীঠ, আৰু ভৈৰৱীৰপৰা দিক্ৰাই পৰ্যন্ত

সৌমাৰপীঠ। অৱশ্যে, এই ভাগকেইটা ভৌগোলিক নিশ্চয় নাছিল; এইবোৰ আছিল দেৱীৰ মাহাত্ম্য বা অৱস্থিতি থকা একোটা পৰম্পৰাগত ধৰ্মবিশ্বাসৰ পৰিসীমাহে। সি যিহওক, তাৰ পূবলৈ থকা চুতীয়া অধ্যুষিত কুণ্ডিল বা চুতীয়া ৰাজ্যখনে আগুৰি থকা অঞ্চলখিনি তেতিয়াও কামৰূপ ৰাজ্যই সামৰি ল'ব পৰা নাছিল, আৰু দক্ষিণপাৰে কপিলীৰ পূৰ্বেই পিছৰ যুগত কছাৰী ৰাজ্যখনে সামৰি লোৱা অঞ্চলসমূহত ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাধীন জনজাতীয় পৰ্যায়ৰ গোটবোৰ বসবাস কৰি আছিল।

ত্ৰয়োদশ শতিকাৰ প্ৰথম ভাগত আহোমসকল আহি ব্ৰহ্মপুত্ৰ উপত্যকাৰ দক্ষিণ-পূব অঞ্চলত চুতীয়া ৰাজ্যৰ সীমান্তত আৰু মৰাণ-বৰাহীসকলৰ অধ্যুষিত এলেকাত এখন সৰু ৰাজ্য প্ৰতিষ্ঠা কৰে। আহোম ৰাজ্য প্ৰতিষ্ঠাৰ পিছত ইয়াৰ আঞ্চলিক ৰাজনৈতিক, ভৌগোলিক অৱস্থাৰো পৰিৱৰ্তন ঘটে। ইফালে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিম অংশত কামৰূপ ৰাজ্যখন ভাগি-ছিগি গৈ কমতাপুৰ (বা কামৰূপ-কমতা) নামে এখন নতুন ৰাজ্য গঠন হয়। তেতিয়াৰপৰা বৰ্তমান উত্তৰ-বংগৰ অন্তৰ্গত কমতাপুৰ বা কোচবেহাৰক কেন্দ্ৰ কৰি এই নতুন ৰাজ্যখন গঢ়ি উঠে। খ্ৰী ১৪৯৮ পৰ্যন্ত কমতাপুৰ ৰাজ্যখন তিষ্ঠি আছিল। কিন্তু, সেই বছৰতে হোৱা বঙ্গৰ চুলতান আলাউদ্দিন হুছেইনছাহৰ আক্ৰমণৰ ফলত কমতাপুৰ ৰাজ্য বঙ্গ চুলতানৰ অধীন হ'ল। পিছে, কমতাপুৰত চুলতানী শাসন দীৰ্ঘদিনীয়া নহ'ল। অতি কম সময়ৰ ভিতৰতে খ্ৰী. ১৬ শতিকাৰ আৰম্ভণিতে স্থানীয় কোঁচসকলৰ মাজৰ ডেকা বীৰ বিশু ওৰফে বিশ্বসিংহই চুলতানী শাসনকৰ্তা দানিয়েলক খেদাই নিজৰ অধিপত্য স্থাপন কৰে। এইদৰেই আনুমানিক ১৫১৫ খ্ৰী.মানত প্ৰাচীন কামৰূপ-কমতাৰ ঠাইত নতুনকৈ কোঁচৰাজ্য এখন ভেটি গঢ়ি উঠে। বিশুৱে ইয়াৰ পিছতে ঠায়ে ঠায়ে স্বাধীনভাৱে শাসন কৰি থকা জমিদাৰ জাতীয় ভূঞাসকলক পৰাস্ত কৰি পশ্চিম কোচবিহাৰ আৰু উত্তৰে নেপাল আৰু ভূটানৰ সীমা পৰ্যন্ত এই ভূ-খণ্ড অধিকাৰ কৰি লৈ ৰাজ্যৰ সীমা বৰ্ধন কৰে।

সেই সময়ত, অৰ্থাৎ পশ্চিমে কোঁচ ৰাজ্যখন প্ৰতিষ্ঠা হ'বৰ সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ একে বাৰে পূব আৰু উত্তৰ-পূব অঞ্চলত চুতীয়াসকলৰ ৰাজ্য আছিল। তেওঁলোকৰ ৰাজ্যখন শদিয়া বা কুণ্ডিল নামে জনাজাত আছিল। ইয়াৰ ৰাজধানী আছিল শদিয়াত। বৰ্তমানেও প্ৰাচীন সেই শদিয়া নগৰৰ ধ্বংসাৱশেষ অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ ভিতৰত দেখিবলৈ পোৱা যায়। পিছে ক্ৰমান্বয়ে বাঢ়ি যোৱা আহোম ৰাজশক্তিৰ লগত হোৱা প্ৰতিদ্বন্দ্বিতাত তিষ্ঠিব নোৱাৰি খ্ৰীঃ ১৬ শতিকাৰ প্ৰথম ভাগতে ১৫২৩ চনত চুতীয়া ৰাজ্যখন আহোম ৰাজ্যৰ অংশ হৈ পৰে। ইয়াৰ পিছত বহুবাৰ চেষ্টা কৰিও চুতীয়াসকলে নিজৰ ৰাজ্য উদ্ধাৰ কৰিব নোৱাৰিলে আহোম স্বৰ্গদেউ চুহুংমুং ওৰফে দিহিঙীয়া ৰজাই (১৪৯৭-১৫৩৯ খ্ৰী.) চুতীয়া ৰাজ্য অধিকাৰ কৰি 'শদিয়া খোৱা গোহাঁই' নামে শাসনকৰ্তা এজন নিযুক্তি দি শদিয়া বা চুতীয়া ৰাজ্যখণ্ড আহোম ৰাজ্যৰ এখন প্ৰদেশ বা প্ৰশাসনীয় ভাগত পৰিণত কৰিলে।

ইফালে ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে আহোমৰাজ্যৰ পশ্চিম সীমাতে গঢ়ি উঠিছিল কছাৰীসকলৰ ৰাজ্য। অসমৰ আদিম অধিবাসীসকলৰ মাজৰ অন্যতম জনগোষ্ঠী কছাৰীসকলে উজনি ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায় সকলো ঠাইতে ছেগা-চোৰোকাকৈ বসবাস কৰি আছিল। আহোমসকল ব্ৰহ্মপুত্ৰ উপত্যকালৈ অহা

সময়ত আহোম ৰাজ্যৰ পশ্চিমে ধনশিৰী নৈৰ উপত্যকাত এওঁলোকে এখন ৰাজ্য পাতি আছিল। কিন্তু চুতীয়াসকলৰ ৰাজ্য শদিয়া বা কুণ্ডিল ৰাজ্যখন লোৱাৰ দৰে কছাৰীসকলকো যুদ্ধত ঘটুৱাই আহোম স্বৰ্গদেউ চুহুংমুঙে ডিমাপুৰ পৰ্যন্ত কছাৰী ৰাজ্যখন খ্ৰীঃ ১৫৩৬ ৰ ভিতৰতে নিজ ৰাজ্যৰ ভিতৰত সামৰি লয়। অধিকৃত এই নতুন ৰাজ্যখণ্ডৰ শাসন চলাবলৈ স্বৰ্গদেউ চুহুংমুঙে 'মৰঙি খোৱা গোহাঁই' নামে প্ৰাদেশিক শাসনকৰ্তা এজনো নিয়োগ কৰিলে। এইদৰে ধনশিৰি উপত্যকাৰ পৰা বিস্তাৰিত হৈ কছাৰী ডিমাপুৰ (বৰ্তমান নগালেণ্ডৰ অন্তৰ্গত) ৰাজধানী এৰি ক্ৰমে মাইবং আৰু শেষত কাছাৰলৈ যায়গৈ আৰু তাতেই ব্ৰিটিছে অধিগ্ৰহণ কৰালৈকে স্বাধীনভাৱে শাসন কৰি থাকে।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিম অংশত উত্তৰ বঙ্গ পৰ্যন্ত পূৰ্বৰ কমতা ৰাজ্যখনৰ ধ্বংসাৱশেষৰ ওপৰত কেনেকৈ কোঁচ ৰাজ্যখন গঢ় লৈ উঠিছিল সেই বিষয়ে ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। কোঁচ ৰজাসকলৰ ভিতৰত বিশু ওৰফে বিশ্বসিংহৰ পুত্ৰ আৰু উত্তৰাধিকাৰী মল্লদেৱ ওৰফে নৰনাৰায়ণ (১৫৪০-১৫৮৭) আছিল সৰ্বশ্ৰেষ্ঠ। তেওঁৰ দিনত কোঁচ ৰাজ্যখন পশ্চিমে কোঁচবিহাৰৰ পৰা পূৱে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে বৰনদীলৈকে বিস্তৃত হৈছিল। তদুপৰি, তেওঁ তেওঁৰ সুযোগ্য ভাতৃ সেনাপতি শুক্লধ্বজ ওৰফে চিলাৰায়ৰ সহায়ত আহোম, কছাৰী, জয়ন্তীয়া আদি সমসাময়িক প্ৰায় সকলোবোৰ চুবুৰীয়া ৰাজ্যকে জয় কৰি উত্তৰ-পূব ভাৰতৰ একপ্ৰকাৰ একচ্ছত্ৰী সম্ৰাট হৈছিল। কিন্তু, কোঁচ ৰাজ্যখনৰ এই ৰাজনৈতিক শক্তি অধিককাল তিষ্ঠি নাথাকিল। খ্ৰীঃ ১৫৮১ চনত সিংহাসনৰ উত্তৰাধিকাৰ স্বত্বক কেন্দ্ৰ কৰি কোচৰাজ্যখন দ্বিখণ্ডিত হয়। সোণকোষ নৈৰ পৰা পূবে বৰনদীলৈ পূবখণ্ড ৰাজ্যৰ নাম কোঁচহাজো বা কামৰূপ আৰু সোণকোষৰ পৰা পশ্চিমে কোঁচবেহাৰলৈ-পশ্চিম খণ্ড ৰাজ্য ৰাজধানী কোঁচবেহাৰৰ নামেৰেই কোচবেহাৰ হৈ থাকে। উত্তৰাধিকাৰক লৈ আৰম্ভ হোৱা ভাতৃদ্বন্দ্বৰ সুবিধা লৈ সেই সময়ত সমগ্ৰ ভাৰততে আধিপত্য বিস্তাৰ কৰিবলৈ সমৰ্থ হোৱা মোগল ৰাজশক্তিয়ে পশ্চিমৰ কোঁচবেহাৰখণ্ড ৰাজ্য নিজৰ অধীনস্থ কৰে আৰু পুবৰখণ্ড ৰাজ্য আক্ৰমণ কৰি জয় কৰে আৰু অধিকাৰ কৰি লয়। তেতিয়াৰ পৰা গুৱাহাটী সহ কামৰূপ খণ্ডত মোগলৰ প্ৰত্যক্ষ শাসন চলে আৰু পশ্চিমৰ খণ্ড কোঁচবেহাৰ ৰাজ্যত জমিন্দাৰী ৰূপত মোগল সাম্ৰাজ্যৰ পৰোক্ষ শাসন চলিবলৈ ধৰে। ফলত কোঁচ ৰাজ্যখনৰ এনেদৰে হোৱা পতনৰ ফলত আহোম ৰাজশক্তি মোগলৰ লগত প্ৰত্যক্ষ শত্ৰু পৰিণত হ'ল, তাৰ পৰৱৰ্তী প্ৰায় অৰ্ধ শতিকাৰ কালছোৱা আহোম-মোগল সংঘৰ্ষ সংঘটিত হয়। অৱশেষত অৰ্ধ শতিকা জোৰা অহৰহ আক্ৰমণ প্ৰতি আক্ৰমণৰ শেষ ফলস্বৰূপে শৰাইঘাটৰ যুদ্ধত খ্ৰীঃ ১৬৭১ খ্ৰী.ত আহোম সেনাই মোগলক ঘটুৱাই কামৰূপ খণ্ড ৰাজ্য উত্তৰে মানাহ আৰু দক্ষিণ গোৱালপাৰাপৰ্যন্ত মোগলৰ হাতৰপৰা উদ্ধাৰ কৰে। তেতিয়াৰপৰাই আহোমৰ অসম ৰাজ্যখনৰ পশ্চিম সীমা মানাহ আৰু গোৱালপাৰাত নিৰ্দিষ্ট হয়।

দেখা যায় যে ত্ৰয়োদশ শতিকাৰ পিছৰপৰা প্ৰাচীন কামৰূপ ৰাজ্যৰ চিন্‌চাব নাথাকি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে কেইবাখনো নতুন ৰাজ্য গঢ় লৈ উঠিছিল। সেই ৰাজ্যবোৰৰ উপৰি কাষৰ পাহাৰীয়া অঞ্চলৰ বহুতো ঠাইত দুই-এক জনজাতীয় পৰ্যায়ৰ মুৰব্বীয়েও

ঠায়ে ঠায়ে নিজৰ নিজৰ আধিপত্য বিস্তাৰ কৰিছিল। কিন্তু ৰাজনৈতিক তথা ভৌগোলিক অৱস্থাৰ পৰিৱৰ্তন ঘটাই পৰাক্ৰমী আহোমসকলে খ্ৰীঃ সপ্তদশ শতিকাৰ ভিতৰতে পূবে শদিয়াৰ পৰা পশ্চিমে মানাহ নদী আৰু গোৱালপাৰা পৰ্যন্ত তেওঁলোকৰ একাধিপত্য বিস্তাৰ কৰিছিল। ইয়াৰ পিছত ক্ৰমে সকলোবোৰ কাষৰীয়া ৰাজ্য আৰু জনজাতীয় মুৰব্বীক নিজৰ তলতীয়া কৰি লৈ আহোম স্বৰ্গদেউ সকলে এখন সবল আৰু সুবিস্তীৰ্ণ নতুন ৰাজ্যৰ জন্ম দিলে। এইদৰে উত্তৰ আৰু দক্ষিণ-দুই কাষে পাহাৰৰ পাদদেশ পৰ্যন্ত বিস্তৃত হৈ থকা অঞ্চলসমূহো সামৰি প্ৰায় সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা এসময়ত তেওঁলোকৰ ৰাজ্যখনৰ তলতীয়া বা ভিতৰুৱা হৈ পৰিল ।এইদৰে আহোম সকলৰ ৰাজত্বতেই আধুনিক অসম ৰাজ্যখনৰ ভৌগোলিক আৰু বাস্তৱ ধাৰণাটো জন্ম হয় আৰু তেতিয়াৰ পৰাই বৰাক-ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনগোষ্ঠীসমূহ আৰু খাচি-জয়ন্তীয়া, নগা, গাৰো, চুতীয়া, আপাতনি, আদি,মিচিং - সকলো জনগোষ্ঠীৰ মাজতে একতাৰ বান্ধোনৰ সূত্ৰপাত হয়।

আহোমৰ 'অসম' ৰাজ্যখন প্ৰায় ছশ বছৰ কাল তিষ্ঠি আছিল। কিন্তু খ্ৰীঃ অষ্টাদশ শতিকাৰ দ্বিতীয়াৰ্ধত হোৱা মোৱামৰীয়া প্ৰজাবিদ্ৰোহ আৰু তাৰ পিছতেই কেইবাবাৰো হোৱা মানৰ আক্ৰমণ আৰু তেওঁলোকৰ শাসনৰ সময়ৰ (১৮১৯-১৮২৪) অত্যাচাৰত আহোম স্বৰ্গদেউসকলৰ অন্ত পৰে। সমসাময়িকভাৱে বঙ্গদেশত শাসন কৰি থকা ইংৰাজৰ সহায়ত যদিও মানবিলাকক যুদ্ধত ঘটুৱাই মানৰ হাতৰ পৰা ৰাজ্যখন উদ্ধাৰ কৰি পুনৰ ৰাজত্বৰ সপোন দেখিছিল, তথাপি সেই সময়ৰ ভগা ৰজা চন্দ্ৰকান্ত সিংহ বা কোনোজন সিংহাসনৰ দাবীদাৰেই শেষ মুহূৰ্তত ৰাজ্যখন নিজৰ বাবে উদ্ধাৰ কৰিব নোৱাৰিলে। ইংৰাজে মানক যুদ্ধত ঘটুৱাই ব্ৰহ্মদেশপৰ্যন্ত তেওঁলোকক খেদি পঠালে আৰু ইয়াণ্ডাবু চহৰত ১৮২৬ চনৰ ফেব্ৰুৱাৰী মাহত হোৱা দুই পক্ষৰ মাজৰ সন্ধিৰ চৰ্ত অনুযায়ী ইংৰাজে মানৰ হাতৰপৰা অসমখন অধিকাৰ কৰি ল'লে। বস্তুতঃপক্ষে তেতিয়াৰ পৰাই অসম ৰাজ্য ইংৰাজৰ অধীন হয় আৰু ইংৰাজৰ অধীনত থকা ভাৰতৰ অন্যান্য ঠাইৰে সংযোজিত হৈ পৰে।

ইংৰাজৰ শাসনকালত শাসনৰ সুবিধাৰ অৰ্থে অসমৰ লগত উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰ-ভৈয়াম সংমিশ্ৰণ কৰি ব্ৰিটিছে এখন বৰ অসম তৈয়াৰ কৰিছিল।ইফালে অসমসহ কাছাৰ, জয়ন্তীয়া, মণিপুৰ আদি ৰাজ্যবোৰো অধিগ্ৰহণ কৰি লৈ ব্ৰিটিছে শাসনৰ সুবিধাৰ অৰ্থে কিছুমান নিজস্ব প্ৰশাসনীয় ভাগ কৰি লৈছিল। এই ভাগবিলাকৰ ভিতৰত সোমাই ব্ৰিটিছে ভাৰতৰ অংশ হিচাপে যেতিয়া অসমেও ব্ৰিটিছ অধীনৰ পৰা স্বাধীনতা লাভ কৰিলে তেতিয়াৰ পৰাহে আধুনিক অসমৰ ছবিখন স্পষ্ট তৈয়াৰ হ'ল। পাহাৰ-ভৈয়াম একত্ৰ কৰি সৃষ্টি কৰা এইখন অসমৰ ভৌগোলিক পৰিসীমা অৱশ্যে পৰৱৰ্তী কালত বহুবাৰ সলনি হ'ল। জাতীয় চৰকাৰৰ 'ৰাজ্য পুনৰ গঠন আইন'ৰ ফলত নাগালেণ্ড, মিজোৰাম, মেঘালয়, অৰুণাচল আদি নতুন নতুন ৰাজ্য গঠন হোৱাৰ ফলত এতিয়া অসমে আপাততঃ ব্ৰহ্মপুত্ৰৰ দুই পাৰৰ শদিয়াৰ পৰা ধুবুৰীলৈকে বিস্তৃত হৈ থকা এই সুদীৰ্ঘ সমতল খণ্ডকহে বুজায়। তাৰ লগত পূৰ্বৰ কছাৰী ৰাজ্যৰ অংশ স্বৰূপ বৰাক উপত্যকাৰ কাছাৰ জিলাকে (অবিভক্ত) ধৰি ইয়াৰ মুঠ আয়তন ৭৮,৪২৩ বৰ্গকিলোমিটাৰ। তাৰে প্ৰায় ৬৩,৩০০ বৰ্গকিলোমিটাৰ ভৈয়াম অঞ্চলত

আৰু ১৫,২২০ বৰ্গকিলোমিটাৰ পাহাৰীয়া অঞ্চলত। ইয়াৰ কেউকাষে ভূটান, বাংলাদেশ আৰু অৰুণাচল, নগালেণ্ড, মণিপুৰ মিজোৰাম, ত্ৰিপুৰা, বাংলাদেশ আৰু পশ্চিমবংগ ৰাজ্যই আগুৰি আছে। এই নতুন বিভাজনৰ ফলত এসময়ত মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ কৰ্মভূমি কোঁচবেহাৰ পশ্চিম বঙ্গ ৰাজ্যৰ অন্তৰ্গত হৈ থাকিল। কছাৰীৰজা সকলৰ ৰাজধানী ডিমাপুৰ নাগালেণ্ডৰ ভিতৰ সোমাল আৰু শদিয়াখোৱা গোহাঁইৰ কেন্দ্ৰ শদিয়া ৰাজ্যৰ একাংশ, পূৰ্বৰ চুতীয়া ৰাজ্যৰ ৰাজধানী শদিয়া বা কুণ্ডিল নগৰ সহ এক বৃহৎ অঞ্চল আৰুণাচল প্ৰদেশৰ ভিতৰত সোমাই যোৱাত অসমৰ ভৌগোলিক পৰিসীমা বহু পৰিমাণে সংকুচিত হৈ পৰিল।

## প্ৰাচীন কামৰূপ ৰাজ্য

খ্ৰীঃ ৪ৰ্থ শতিকাৰ আগৰ অসমৰ (অৰ্থাৎ প্ৰাগজ্যোতিষ-কামৰূপ ৰাজ্যৰ) ৰাজনৈতিক বুৰঞ্জীৰ বিস্তৃত বিৱৰণ পোৱা নাযায়। প্ৰাচীন ভাৰতীয় সংস্কৃতি-সাহিত্যসমূহৰ অ'ত-ত'ত ছেগা-চোৰোকাকৈ থকা দুই-এটা এই সংক্ৰান্তীয় উল্লেখো পৰস্পৰবিৰোধী । সি যি হওক, খ্ৰীঃ ৪ৰ্থ শতিকাৰ মাজভাগৰ পৰা ইয়াৰ ৰাজনৈতিক বুৰঞ্জীৰ ধাৰাবাহিক তথ্য পোৱা যায়। খ্ৰীঃ ৪ৰ্থ শতিকাৰ আগৰ কালছোৱাত কোনো ধাৰাবাহিক বা তথ্যসম্ভূত বুৰঞ্জীৰ সম্ভেদ নাথাকিলেও প্ৰাচীন সংস্কৃত সাহিত্যসমূহত প্ৰাগ্জ্যোতিষ- কামৰূপকেন্দ্ৰিক কিছুমান কিংবদন্তি উল্লিখিত হৈছে। এনেবোৰ কিংবদন্তিৰ উল্লেখ ৰামায়ণ-মহাভাৰতৰ পৰা আৰম্ভ কৰি পিছৰ যুগৰ পুৰাণ-উপপুৰাণলৈকে- প্ৰায়বোৰ শাস্ত্ৰতে পোৱা যায়। মন কৰিবলগীয়া যে সকলো কিংবদন্তিৰ ভিতৰত নৰক বা নৰকাসুৰৰ বিষয়ে থকা কিংবদন্তিৰ উল্লেখেই অধিক। কিন্তু ইয়াৰ বাৰম্বাৰ উল্লেখ আৰু ইয়াৰ ওপৰত দিয়া গুৰুত্বই অন্ততঃ নৰকাসুৰ নামৰ এজন ৰজাই প্ৰাগ্জ্যোতিষপুৰ ৰাজ্যত এসময়ত ৰাজত্ব কৰাৰ কথা অনুমান কৰিব পাৰি। তদুপৰি, খ্ৰীঃ ৪ৰ্থ শতিকাৰ পিছৰ কালৰ প্ৰাগ্জ্যোতিষ-কামৰূপ প্ৰায় সকলোবোৰ ৰজাই তেওঁলোকৰ উত্তৰাধিকাৰী সূত্ৰ এই নৰকৰপৰাই আৰম্ভ কৰালে লক্ষ্য কৰি তেওঁক এজন ঐতিহাসিক ব্যক্তি আছিল বুলি গণ্য কৰিব পাৰি। কিন্তু, সেই কথাৰ বাহিৰে মহাকাব্য, পুৰাণ-উপপুৰাণত উল্লেখ থকা বাকীবোৰ উল্লেখ পৰীক্ষা নকৰাকৈ গ্ৰহণ কৰিব নোৱাৰি।

নৰকাসুৰৰ প্ৰত্যক্ষ উত্তৰাধিকাৰী হিচাপেও কোনো এজন প্ৰাচীন কামৰূপীয় ৰজাকে প্ৰমাণ সহকাৰে উপস্থাপন কৰিব নোৱাৰি। কোনো কোনো শাস্ত্ৰ আৰু প্ৰাচীন ৰজাসকলে লিখোৱাই থৈ যোৱা ভূমিদানৰ ফলিত তেওঁৰ প্ৰত্যক্ষ উত্তৰাধিকাৰী হিচাপে ভগদত্তৰ নাম উল্লেখ কৰিছে। কিন্তু ভগদত্তৰ বিষয়েও কোনো ঐতিহাসিক তথ্য পোৱা নাযায়। উত্তৰ ভাৰতত গুপ্ত ৰজাসকলৰ ৰাজত্ব আৰম্ভ নোহোৱালৈকে আমি প্ৰাচীন কামৰূপীয় ৰাজন্যবৰ্গ আৰু তেওঁলোকৰ ৰাজত্ব বা কামৰূপ ৰাজ্যখনৰ বিষয়ে কোনো বিশ্বস্ত ঐতিহাসিক তথ্য নাপাওঁ। সেই বাবেই খ্ৰীঃ ৪ৰ্থ শতিকাৰ আগৰ সময়ছোৱা প্ৰাচীন প্ৰাগ্জ্যোতিষ-কামৰূপৰ বাবে একপ্ৰকাৰ

প্ৰাগৈতিহাসিক যুগ বুলি কোৱা হয়। অসমৰ ভগ্নাৱশেষ অৱস্থাত থকা বহুতো প্ৰাচীন ঐতিহাসিক অৱশিষ্টই প্ৰমাণ কৰিব বিচাৰে যে অসমৰ ৰাষ্ট্ৰগঠন প্ৰক্ৰিয়া হয়তো বহু পূৰ্বেই আৰম্ভ হৈছিল।

খ্ৰীঃ ৪ৰ্থ দ্বিতীয়াৰ্ধৰ পৰা প্ৰাগজ্যোতিষ-কামৰূপৰ ধাৰাবাহিকভাৱে ৰাজনৈতিক বুৰঞ্জী পোৱা যায়। সেই সময়ত ৰাজ্যখনৰ নাম মূলতঃ কামৰূপ বুলি খ্যাত হ'লেও মাজে-সময়ে কোনো কোনো তথ্যত প্ৰাগ্‌জ্যোতিষ নামটোও কামৰূপ নামটোৰ লগত সংযোজিত কৰি উল্লেখ কৰাটো মন কৰিবলগীয়া। ৪ৰ্থ শতিকাৰ মাজভাগৰ পৰা খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ আৰম্ভণিলৈ প্ৰায় এহেজাৰ বছৰ কাল কামৰূপ ৰাজ্যখন তিষ্ঠি আছিল। সেই সময়ছোৱাৰ ভিতৰত ইয়াত তিনিটা প্ৰধান ৰাজবংশ ৰজাই ৰাজত্ব কৰিছিল। অনুঃ খ্ৰীঃ ৪ৰ্থ শতিকাৰ মাজভাগত প্ৰতিষ্ঠা হোৱা বৰ্মন বংশৰ প্ৰতিষ্ঠাতা আছিল পুষ্যবৰ্মন। তেওঁৰ বংশত মুঠ তেৰজন ৰজাই ৰাজত্ব কৰি যোৱাৰ কথা জনা যায়। খ্ৰীঃ সপ্তম শতিকাৰ মাজভাগলৈ প্ৰায় তিনিশ বছৰ কাল বৰ্মন বংশীয় ৰজাসকলে ৰাজ্য শাসন কৰিছিল। বৰ্মন বংশীয় ৰজাসকলৰ ভিতৰত অতি বিখ্যাত আছিল সেই বংশৰ শেষ ৰজা কুমাৰ ভাস্কৰ বৰ্মন (অনু ৫৯৪-৬৫০ খ্ৰীঃ)। তেওঁ উত্তৰ ভাৰতৰ বিখ্যাত ৰজা হৰ্ষবৰ্ধনৰ সমসাময়িক আছিল আৰু হৰ্ষবৰ্ধনৰ লগত তেওঁৰ ভাল বন্ধুত্ব আছিল। ভাস্কৰ বৰ্মনে অনুমানিক ৬৫০ খ্ৰীঃ লৈ ৰাজত্ব কৰিছিল। তেওঁৰ সময়তে চীনা বৌদ্ধ ভিক্ষু হিউয়েনচাং কামৰূপলৈ আহি ৰাজধানী প্ৰাগ্‌জ্যোতিষপুৰত প্ৰায় দুমাহ কাল আছিলহি বুলি জনা যায়। অৱশ্যে সেই সময়ৰ কামৰূপ ৰাজ্যখনৰ হিউয়েনচাং ভ্ৰমণ ৰাজধানীখনৰ প্ৰকৃত অৱস্থান সম্পৰ্কে পণ্ডিতসকলৰ মাজত মত পাৰ্থক্য থকা দেখা যায়।

বৰ্মন বংশৰ ৰজাসকলে নিজকে নৰকৰ বংশধৰ বুলি নিজৰ বংশগত পৰিচয় দাঙি ধৰে। তেওঁলোকৰ সময়ত বহুতো ব্ৰাহ্মণ পণ্ডিতক মাটি-বৃত্তি দান দি ৰাজ্যৰ বিভিন্ন ঠাইত ৰজাসকলে তেওঁলোকক স্থাপন কৰিছিল। সেইদৰে কুমাৰ ভাস্কৰ বৰ্মনে তেওঁৰ পূৰ্বপুৰুষ মহাভূতি বৰ্মনে দান দিয়া ভূমিৰ নবীকৰণাৰ্থে পুন্দ্ৰবৰ্ধন ভুক্তিত অৰ্থাৎ বৰ্তমান বাংলাদেশৰ অন্তৰ্গত পূৰ্ববংগৰ এছোৱা ঠাইত দুজনতকৈও অধিক ব্ৰাহ্মণক মাটি দান কৰিছিল। তেওঁ বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষাৰ উদ্দেশ্যে হৰ্ষবৰ্ধনলৈ বহুতো মূল্যৱান বস্তু উপহাৰ দি পঠাইছিল। সেইবোৰৰ ভিতৰত সাঁচিপাতত লেখা প্ৰাচীন পুথিও আছিল বুলি জনা যায়। বৰ্মন বংশৰ শাসনৰ সময়ত মাটি-বৃত্তি দানৰ জৰিয়তে ব্ৰাহ্মণ সংস্থাপনৰ মাধ্যমেদি ৰাজ্যখনত ব্ৰাহ্মণ্য হিন্দুধৰ্ম প্ৰচাৰ হৈছিল, আৰু বহুতো স্থানীয় জনজাতীয় লোক হিন্দু বৈদিক পৰম্পৰাৰ অন্তৰ্ভুক্ত হৈছিল। ফলত স্থানীয় কিৰাত বা ম্লেছ মূলৰ সমাজখনো বৰ্ণাশ্ৰম প্ৰথাৰ ভিতৰত সোমাইছিল। কেৱল সেয়ে নহয়, এওঁলোকৰ দিনত ৰাজ্যখনৰ দক্ষিণ আৰু পশ্চিম সীমাৰো সম্প্ৰসাৰণ হৈছিল। উত্তৰ-পূব আৰু দক্ষিণ-পূব বংগৰ বহুতো অঞ্চল এইদৰে কামৰূপ ৰাজ্যৰ ভিতৰত সোমাইছিল। ব্ৰাহ্মণক দিয়া মাটিৰ বহু অংশই এইদৰে সম্প্ৰসাৰিত অঞ্চলবোৰৰ ভিতৰত দিয়া হৈছিল। ফলত ৰাজ্যখনৰ বৰ্ধিত চাৰিসীমাৰ সুৰক্ষাও কটকটীয়া হৈছিল। ভাস্কৰ বৰ্মন এজন বিদ্যোৎসাহী ৰজা আছিল। তেওঁৰ দিনত পণ্ডিতসকলে সমাদৰ আৰু ৰাজ-পৃষ্ঠপোষকতা লাভ কৰিছিল আৰু সাহিত্য সংস্কৃতিৰ বিকাশ ঘটিছিল।

খ্ৰীঃ সপ্তম শতাব্দীৰ মাজভাগত বৰ্মন বংশৰ ৰাজত্বৰ অন্ত পৰে। বৰ্মন বংশৰ শেষ ৰজা কুমাৰ ভাস্কৰ

বৰ্মন অবিবাহিত আছিল। সেয়ে তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ কোনো প্ৰত্যক্ষ উত্তৰাধিকাৰী নথকাত শালস্তম্ভ নামৰ এজন ক্ষমতাশালী প্ৰাদেশিক শাসনকৰ্তাই ৰাজসিংহাসন হস্তগত কৰে। সেই বংশৰ তথ্যসমূহৰ পৰা জনা যায় যে- শালগছৰ দৰে মজবুত আৰু শক্তিশালী ব্যক্তিত্বৰ অধিকাৰী হোৱা বাবে তেওঁৰ সেই নাম হয়। এই কথাৰপৰা অনুমান কৰিব পাৰি যে ৰজা হোৱাৰ পূৰ্বে তেওঁৰ অন্য নাম আছিল। সম্ভৱতঃ ব্ৰাহ্মণ্যকৰণৰ ফল হিচাপেই তেওঁৰ এই নতুন নাম হয়। সমসাময়িক ভূমি দানৰ ফলিৰ কোনো কোনোখনত শালস্তম্ভক 'ম্লেচ্ছ'বংশীয় লোক বুলি উল্লেখ আছে। বৰ্মন বংশৰ ৰজা সকলৰ দৰে এই বংশৰ ৰজাসকলেও নিজৰ উত্তৰাধিকাৰ সূত্ৰ নৰকৰ-ভগদত্তৰ পৰাই উল্লেখ কৰে। এওঁলোকেও ৰাজ্যৰ বেলেগ বেলেগ ঠাইত ব্ৰাহ্মণৰ মাটি-বৃত্তি দান দি সংস্থাপন দি ব্ৰাহ্মণ্যকৰণ প্ৰক্ৰিয়া আগ বঢ়াই নিছিল আৰু ৰাজ্যখনৰ বৰ্ধিত চাৰিসীমা ৰক্ষণাবেক্ষণ দিছিল। শালস্তম্ভ আৰু তেওঁলোকৰ পূৰ্বসূৰী বৰ্মন বংশৰ ৰজাসকলে নানান দেৱ-দেৱীক পূজা কৰিছিল বুলি জনা যায়। সেইবোৰৰ ভিতৰত শিৱই আছিল প্ৰধান। হিউয়েন চাং ৰ মতে সেই সময়ত ৰাজ্যখনত শতাধিক শিৱ মন্দিৰ আছিল। শালস্তম্ভ বংশৰ শেহৰফালে ৰাজত্ব কৰা বনমাল বৰ্মন আৰু হৰ্জৰ বৰ্মনৰ (বনমাল বৰ্মাদেৱ আৰু হৰ্জৰ বৰ্মাদেৱ) ভূমিদানৰ ফলিসমূহত উল্লেখ আছে যে এওঁলোকে বৰফৰ সমান শুভ্ৰ আৰু হিমালয়ৰ সমান উচ্চ এটা শিৱমন্দিৰ নিৰ্মাণ কৰিছিল। সেই মন্দিৰ শালস্তম্ভ বংশৰ ৰজাসকলৰ ৰাজধানী হাৰুপেশ্বৰ বা হটপেশ্বৰ নগৰত ব্ৰহ্মপুত্ৰৰ পাৰত আছিল। প্ৰতিদিনে হোৱা পূজাৰ ধূপৰ গোন্ধ আৰু যজ্ঞৰ ধোঁৱাই কেউকাষৰ বতাহ সুগন্ধি কৰি তুলিছিল। মন্দিৰৰ নৰ্তকীসকলে নৈৰ পাৰত বাস কৰিছিল। তেজপুৰ নগৰৰ পূব সীমাত বামুণীপাহাৰ নামে পাহাৰৰ টিলাত সিঁচৰতি হৈ থকা প্ৰাচীন মন্দিৰৰ ধ্বংসাৱশেষে শালস্তম্ভ বংশীয় ৰজাসকলে নিৰ্মাণ কৰা সেই হিমালয় সদৃশ উচ্চতাৰ মন্দিৰলৈ ইঙ্গিত দিয়া যেন লাগে। পণ্ডিতসকলে এই হাৰুপেশ্বৰ বা হটপেশ্বৰ নগৰক আধুনিক তেজপুৰ নগৰৰে একে আছিল বুলি ক'ব বিচাৰে।



*চীনা বৌদ্ধ ভিক্ষু হিউয়েনচাং*

শালস্তম্ভ বংশৰ শেষ ৰজা আছিল ত্যাগসিংহ। তেওঁৰ কোনো উত্তৰাধিকাৰী নোহোৱাকৈ মৃত্যু হোৱাত ৰাজধানীৰ বিষয়াবৰ্গ একত্ৰিত হৈ ব্ৰহ্মপাল নামৰ তেওঁৰে এজন সম্পৰ্কীয় লোকক সিংহাসনত বহুৱায় (আনুমানিক দশম শতিকাৰ শেষৰ ফালে)। সেই বংশৰে দ্বিতীয় ৰজা, ব্ৰহ্মপালৰ পুত্ৰ ৰত্নপালক

ভূমিদানৰ ফলিত উল্লেখ আছে যে ত্যাগসিংহৰ মৃত্যুৰ পিছত যিসকল পুৰুষে ৰাজসিংহাসন দাবী কৰিছিল, সেইসকলৰ ভিতৰত ব্ৰহ্মপালেই আটাইতকৈ বেছি উপযুক্ত আছিল। এই কথাই প্ৰমাণ কৰে যে প্ৰাচীন কামৰূপ ৰাজ্যখনৰ উত্তৰাধিকাৰ বা সিংহাসন আৰোহণ সংক্ৰান্তত প্ৰত্যক্ষ উত্তৰাধিকাৰীৰ অভাৱ হ'লে মন্ত্ৰী-বিষয়াসকলে তেওঁলোকৰ ক্ষমতা আৰু বিবেচনাৰ মাধ্যমেৰে উত্তৰাধিকাৰী নিৰ্বাচন কৰি লৈছিল বা ল'ব পাৰিছিল। পাল বংশত মুঠতে আঠজন ৰজাই ৰাজত্ব কৰিছিল। সেইসকলৰ ভিতৰত ব্ৰহ্মপালৰ পুত্ৰ ৰত্নপালৰ সময়ত (অঃ ১০১০-১০৮০ খ্ৰীঃ শ্ৰীদুৰ্জয়া নামৰ ঠাইত নতুনকৈ ৰাজধানী পাতি ৰত্নপালে ইয়াত নানান কাৰুকাৰ্যখচিত অট্টালিকা নিৰ্মাণ কৰিছিল বুলি উল্লেখ আছে। ৰত্নপালৰ নিজৰ ফলিতে উল্লেখ আছে যে তেওঁ ৰাজধানীখনৰ কেউকাষে এনেদৰে গড় বান্ধি ইয়াৰ সুৰক্ষা নিশ্চিত কৰিব বিচাৰিছিল যে সমসাময়িক ভাৰতবৰ্ষৰ কোনোজন ৰজায়েই সেই সময়ত কামৰূপ ৰাজ্যৰ ৰাজধানীখন অধিকাৰ কৰি ল'ব পৰাটো সম্ভৱ নাছিল। এই শ্ৰীদুৰ্জয়া নগৰখন বৰ্তমান গুৱাহাটী বা ইয়াৰ আশে-পাশে আছিল বুলি পণ্ডিতসকলে মত পোষণ কৰে।

পাল ৰজাসকলৰ ভিতৰত শেষৰ ফালে ৰাজত্ব কৰা ধৰ্মপাল (অনুঃ ১০৯৫-১১২০ খ্ৰীঃ) এজন পণ্ডিত, কবি ৰজা আছিল। তেওঁ অত্যন্ত ধাৰ্মিক আছিল, আৰু ব্ৰাহ্মণ্য হিন্দুধৰ্মৰ পৃষ্ঠপোষকতা কৰাৰ উপৰি তেওঁ আৰু তেওঁৰ পূৰ্বপুৰুষসকল, বিশেষকৈ ইন্দ্ৰপাল পৰৱৰ্তী কালৰ তান্ত্ৰিক বৌদ্ধধৰ্মৰ পৃষ্ঠপোষক আছিল। মন কৰিবলগীয়া যে প্ৰায় ওচৰা-উচৰিকৈ শাসন কৰা বঙ্গ আৰু বিহাৰৰ পাল ৰজা সকলো বৌদ্ধ ধৰ্ম বিশ্বাসী আৰু পৃষ্ঠপোষক আছিল। কামৰূপী পালৰজাসকলৰ মাজৰ কেইবাজনেও সেই সময়ত বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল বুলি উল্লেখ পোৱা যায়। মন কৰিব লগীয়া যে পাল পৰৱৰ্তী কামৰূপৰ আন এগৰাকী 'পাল' উপাধিৰ ৰজা সমুদ্ৰপাল (অনুঃ একোদশ শতিকাৰ আগভাগ) পৃষ্ঠপোষকতাতে গুৱাহাটীৰ যোগীহাটী(বৰ্তমান আমবাৰী) নামৰ ঠাইত তান্ত্ৰিক- বৌদ্ধ সন্ন্যাসীসকলৰ এখন আশ্ৰম বা সত্ৰ গঢ়ি উঠিছিল। সেই কথা লিখি যোৱা শিলৰ এখন ফলি এতিয়াও গুৱাহাটীৰ যাদুঘৰত সংৰক্ষিত হৈ আছে।

বৰ্মন আৰু শালস্তম্ভ বংশৰ ৰজা সকলৰ দৰে পালবংশৰ ৰজাসকলেও ব্ৰাহ্মণ-শ্ৰমণক মাটি-বৃত্তি দান দি ভাৰতীয় ধৰ্মীয় পৰম্পৰাৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁলোকৰ দিনত সাহিত্য-সংস্কৃতিৰো বিকাশ ঘটিছিল। কোনো কোনো পণ্ডিতৰ মতে 'কালিকা-পুৰাণ' নামৰ উপপুৰাণখন পাল ৰজাসকলৰ পৃষ্ঠপোষকতাত কোনোবা অজ্ঞাত পণ্ডিতে ৰচনা কৰিছিল।

ধৰ্মপালৰ পিছৰে পৰা প্ৰাচীন কামৰূপ ৰাজ্যখনৰ অৱনতি ঘটে। সেই সময়ত চুবুৰীয়াবাসী তুৰ্কী চুলতানসকলে কেইবাবাৰো কামৰূপ ৰাজ্য আক্ৰমণ কৰিছিল। উল্লেখ আছে যে ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে খ্ৰীঃ ১২০৬ চনত হোৱা মহম্মদ বিন্ বখ্তিয়াৰৰ আক্ৰমণৰ সময়ত কামৰূপী সেনাই তেওঁলোকৰ ৰজা বাৰ্তু ওৰফে পৃথুৰ তত্ত্বাৱধানত আক্ৰমণকাৰী তুৰ্কী বাহিনীক কচু-কটাদি নদীৰ বোঁৱতী সোঁতত পেলাই মাৰিলে। কেৱল অতি কম সংখ্যক সেনাক লগত লৈ বাৰিষাৰ নদীৰ কোবাল সোঁত পাৰ হৈ বখ্তিয়াৰ পলাই গৈ ৰক্ষা পৰিল।

তেওঁলোকৰ এই আক্ৰমণৰ পিছতো কেইবাবাৰো চুলতানী সেনাই কামৰূপ আক্ৰমণ কৰিছিল। যদিও তেওঁলোকৰ এই আক্ৰমণবোৰ কোনোবাৰেই কৃতকাৰ্য বা সফল হ'ব নোৱাৰিছিল। তথাপি শেষ পৰ্যায়ত হয়তো তেওঁলোকৰ আক্ৰমণৰ পৰা হাত সাৰি থাকিবৰ অৰ্থে কামৰূপী ৰজাসকলে ৰাজ্যৰ ৰাজধানী গুৱাহাটীৰ পৰা স্থানান্তৰ কৰি সুদূৰ কমতাপুৰলৈ তুলি নিয়ে। আনুমানিক ত্ৰয়োদশ শতিকাৰ মাজভাগত হোৱা এই গুৰুত্বপূৰ্ণ ঘটনাৰ পিছৰ পৰাই প্ৰাচীন কামৰূপ ৰাজ্যখনৰ অস্তিত্বও নোহোৱা হয়, আৰু কামৰূপ কমতা, বা থোৰতে কমতা ৰাজ্য নামে এখন নতুন ৰাজ্যৰ ভেটি প্ৰতিষ্ঠা হয়। কমতাৰাজ্যখনৰ বিষয়ে পূৰ্বে উল্লেখ কৰি অহা হৈছে। অৱশ্যে এইখন ৰাজ্য বঙ্গৰ চুলতানী আক্ৰমণৰ পৰা সাৰি থাকিব পৰা নাছিল। ১৪৯৮ খ্ৰীঃত হোৱা চুলতান আলাউদ্দিন হুচেইন ছাহৰ আক্ৰমণৰ ফলত ইয়াৰো পতন হয়। কিন্তু, অতি কম সময়ৰ ভিতৰত চুলতানী অধিকাৰৰ আৰম্ভণিতে কোঁচ ৰাজ্যখন প্ৰতিষ্ঠা হয়।

কমতাপুৰ বা কমতাৰাজ্যৰ প্ৰায়সকল ৰজাই শিক্ষিত আছিল আৰু পণ্ডিত সকলে সাহিত্য চৰ্চাৰ পৃষ্ঠপোষকতা কৰিছিল। সেই সময়তে হৰিহৰ বিপ্ৰ, হেম সৰস্বতী, ৰুদ্ৰ কন্দলী, মাধৱ কন্দলী আদি পণ্ডিতসকলে অসমীয়া সাহিত্যৰ চৰ্চা আৰু সৃষ্টি কৰিছিল। সেইসকলৰ ভিতৰত মাধৱ কন্দলীয়ে ৰামায়ণ অনুবাদ কৰি অসমীয়া ভাষা চহকী কৰিছিল। উল্লেখনীয় যে ভাৰতৰ যিকোনো প্ৰাদেশিক ভাষালৈ হোৱা অনুবাদৰ ভিতৰত অসমীয়া ভাষালৈ হোৱা (ৰামায়ণৰ) এই অনুবাদেই প্ৰথম বুলি বহুতো পণ্ডিতে ক'ব বিচাৰে। (কোনো কোনোৰ মতে তামিল ভাষাৰ ৰামায়ণহে প্ৰথম অনুবাদ ৰামায়ণ)।

কামৰূপ ৰাজ্যৰ ৰাষ্ট্ৰ যন্ত্ৰৰ উচ্চতম স্থানত আছিল ৰজা। তেওঁৰ বংশগত পৰিচয় যিয়েই নহওক, তেওঁক সদায় দেৱতা-বংশীয় বুলি গণ্য কৰা হৈছিল। প্ৰাচীন সংস্কৃত সাহিত্যৰ আধাৰত ৰজা আৰু ৰাজন্যবৰ্গৰ বাবে এই দৈৱিক সূত্ৰ উদ্ভাৱন কৰা হৈছিল। কামৰূপৰ ৰজাসকলৰ ক্ষেত্ৰত তেওঁলোকক বিষ্ণু আৰু ভূমি অৰ্থাৎ পৃথিৱীৰ পুত্ৰ নৰক বা নৰকাসুৰৰ বংশধৰ বুলি উল্লেখ কৰা হয়। দেৱতাকুল বা কোনো পৌৰাণিক বীৰৰ লগত সম্পৰ্কিত কৰি এইদৰে ৰাজবংশ একোটাক ন্যায্যতা দিয়াৰ ব্যৱস্থা কৰা হৈছিল। ব্ৰাহ্মণ্য পৰম্পৰাৰ পৃষ্ঠপোষক আৰু বিশ্বাসী হিচাপে প্ৰাচীন ভাৰতীয় ৰজা-মহাৰজাসকলৰ আৰ্হিত এই ৰজাসকলে অশ্বমেধ আদি বিভিন্ন শ্ৰেণীৰ যজ্ঞ কৰিছিল আৰু প্ৰায়ে তেওঁলোকে একে পৰম্পৰাৰ আধাৰতেই 'মহাৰাজাধিৰাজ', 'পৰম ভট্টাৰক' আদি সাৰ্বভৌম শক্তিৰ অৰ্থসূচক উপাধি গ্ৰহণ কৰিছিল। বৰ্মন বংশৰ প্ৰতিষ্ঠাতা পুষ্যবৰ্মনে 'মহাৰাজাধিৰাজ' উপাধি গ্ৰহণ কৰিছিল, আৰু মহেন্দ্ৰ বৰ্মনে দুবাৰকৈ অশ্বমেধ যজ্ঞ সমাপন কৰিছিল।

ৰাজ্য পৰিচালনা কৰা কামত ৰজাক পৰামৰ্শ দিবলৈ এখন মন্ত্ৰী পৰিষদ আছিল। আৰু ৰাজ্য প্ৰশাসনৰ বাবে প্ৰাদেশিক শাসনকৰ্তাৰ পৰা গাঁও পৰিচালনা কৰালৈকে সকলো পৰ্যায়ৰ বিষয়া আছিল। কিন্তু, ৰজাই আছিল সৰ্বময় ক্ষমতাৰ অধিকাৰী। মাটিৰ অধিকাৰ বা স্বত্বও কেৱল ৰজাৰ হাততহে আছিল। চন্দ্ৰ-সূৰ্য থাকে মানে উপভোগ কৰিবলৈ অধিকাৰ দি সাধাৰণতে দান দিয়া ভূমিৰ ওপৰতহে ৰজাৰ অধিকাৰ নাছিল।

ৰাজ্যখনৰ বৰ্ধন, বিকাশ, সম্প্ৰসাৰণ আৰু

প্ৰতিৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ৰজাই বেলেগ বেলেগ নীতি অৱলম্বন কৰিছিল। সীমামূৰীয়া, হাবিতলীয়া আৰু প্ৰত্যক্ষ শাসনৰ অধীনত নথকা ঠাইবিলাকত ব্ৰাহ্মণক মাটি দান দি নতুন নতুন গাঁও প্ৰতিষ্ঠা কৰা, প্ৰশাসনীয় বিষয়াৰ মাননি হিচাপে তেনেবোৰ ঠাই পঞ্জীয়ন কৰা ইত্যাদি নীতিৰ দ্বাৰাই ৰাজ্যখনৰ সম্প্ৰসাৰণ আৰু প্ৰতিৰক্ষা দুয়োটা কামেই সমাধান কৰা হৈছিল। সাধাৰণতে ৰাজ ক্ষমতা ৰজাৰ হাতত কেন্দ্ৰীভূত হৈছিল। কিন্তু সঘনাই দিয়া ভূমিদানৰ ফলত ৰজাৰ সমান্তৰালভাৱে বিস্তীৰ্ণ এলেকা একোটাৰ ওপৰত সৰ্বময় ক্ষমতাৰ অধিকাৰী হৈ এক শ্ৰেণীৰ জমিদাৰো সৃষ্টি হৈছিল। কামৰূপ ৰাজ্যখনৰ অৱস্থিতিৰ শেষৰফালে এই জমিদাৰ (বা ভূঞা) সকলে তেওঁলোকৰ ক্ষমতাত স্বাধীনভাৱে শাসন কৰাৰ সুবিধা পাইছিল। ফলত শেষৰ ফালে কেন্দ্ৰীভূত ক্ষমতাৰ কিছু বিকেন্দ্ৰীকৰণ হৈছিল।

ৰাষ্ট্ৰৰ অৰ্থনীতি আছিল মূলতঃ কৃষিভিত্তিক। অৱশ্যে বেপাৰ-বাণিজ্যও কিছু আছিল। প্ৰজাই পৰিশোধ কৰিব লগা ৰাজহৰ পৰাই ৰাজকোষৰ প্ৰধান অংশটো সংগ্ৰহ হৈছিল। ৰাজকোষৰ অন্যান্য উৎসসমূহৰ ভিতৰত বিভিন্ন দ্ৰব্যৰ ওপৰত লগোৱা কৰ, অৰণ্য-প্ৰযুক্তি উৎপাদন- যেনে হাতী, হাতী-দাঁত, নানান মূল্যৱান কাঠ, ঔষধি দ্ৰব্য, জীৱ-জন্তু ইত্যাদি। বেহা-বেপাৰৰ মাধ্যম সাধাৰণতে সলনা-সলনিয়েই আছিল। কিন্তু সমান্তৰালভাৱে, আৰু কম পৰিমাণে মুদ্ৰাৰ প্ৰচলনো আছিল। অধিক পৰিমাণে নহ'লেও কামৰূপৰ ৰজা সকলৰ দিনৰ কিছু মুদ্ৰা আৱিষ্কাৰ হৈছে। ৰাজ্যৰ এটা সংগঠিত আৰু মজুৰিপ্ৰাপ্ত সেনাবাহিনী আছিল নে নাই তাক স্পষ্ট ৰূপত জনা নাযায়। কিন্তু পৰিস্থিতিসাপেক্ষে তাৎক্ষণিকভাৱে সাজু কৰি সেনাবাহিনী এটা উলিয়াই নিব পৰাকৈ নিশ্চয় সুবিধা আছিল। হিউয়েনচাঙৰ টোকাৰ পৰা অনুমান কৰিব পাৰি যে ভাস্কৰ বৰ্মনৰ এটা বিশাল নৌ-বাহিনী আছিল। শালস্তম্ভ বংশৰ ৰজা হৰ্জৰ বৰ্মনৰ দিনতো ব্ৰহ্মপুত্ৰৰ বুকুত সঘনে ইফাল-সিফাল কৰিব পৰাকৈ নৌ-সেনা বাহিনীৰ সুবিধাৰ্থে ৰজাই নিয়ম কৰি দিছিল।

প্ৰাচীন কামৰূপ ৰাজ্যৰ ৰজাসকলৰ সময়ত সাহিত্য-সংস্কৃতিৰো বিকাশ হৈছিল। ৰজা ভাস্কৰবৰ্মণে কিছুমান সাঁচিপাতত লিখা পুথি হৰ্ষবৰ্ধনক উপহাৰ দিছিল বুলি ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। পাল বংশৰ ৰজা ধৰ্মপালে কবিতাও লিখিছিল আৰু শ্ৰীধৰ দাসৰ ৰচনা 'সদুক্তিকৰণামৃত' নামৰ কাব্যগ্ৰন্থৰ প্ৰথম দহোটা শ্লোক তেওঁ লিখিছিল । পূৰ্বে উল্লেখ কৰি অহা হৈছে যে কালিকা পুৰাণ নামৰ উপপুৰাণখনো তেওঁলোকৰ সময়তে ৰচনা কৰা হয়। উল্লেখ আছে যে- ভাস্কৰ বৰ্মনে চীন দেশৰ পৰা তাত ধৰ্মৰ ধৰ্মীয় গ্ৰন্থ 'তাও-তো-কিং' অনাই সংস্কৃত ভাষালৈ অনুবাদ কৰাইছিল। প্ৰাচীন কামৰূপ ৰাজ্যৰ সময়ৰ চিত্ৰাংকন বিদ্যা কেনে আছিল জনা নাযায়। কাৰণ, সেই সময়ৰ চিত্ৰলেখৰ কোনো অৱশিষ্ট পোৱা হোৱা নাই। কিন্তু কিংবদন্তি হ'লেও বাণ ৰজাৰ দোহিত্ৰী চিত্ৰলেখা চিত্ৰবিদ্যাৰ বিশাৰদ আছিল বুলিয়েই নাম পাইছিল চিত্ৰলেখা। ভাস্কৰ্য্য স্থাপত্যৰ কিছু বিকাশ হৈছিল। শিল আৰু ইটাৰ ব্যৱহাৰ কৰি অন্ততঃ বহুতো মন্দিৰ নিৰ্মাণ কৰা হৈছিল। গোৱালপাৰাৰ শ্ৰীসূৰ্য পাহাৰ, গুৱাহাটীৰ মদন-কামদেৱ, হাজোৰ হয়গ্ৰীৱ-মাধৱ মন্দিৰ, নীলাচল পাহাৰৰ কামাখ্যা মন্দিৰ, নৱগ্ৰহ পাহাৰৰ শিৱলিংগসমূহ, তেজপুৰ আৰু ইয়াৰ

কাষৰীয়া অঞ্চলসমূহৰ প্ৰত্নতাত্ত্বিক অৱশিষ্ট, নুমলীগড়ৰ দেওপাহাৰ আৰু নগাঁৱৰ হোজাই-ডবকা অঞ্চলৰ অৱশিষ্টবোৰে সেই যুগৰ চিত্ৰকলা আৰু ভাস্কৰ্য-স্থাপত্যৰ ঐতিহ্য আজিও বহন কৰি আছে।

ওপৰৰ বৰ্ণনাৰ পৰা দেখা যায় যে প্ৰাচীন কামৰূপ ৰাজ্যখন প্ৰাচীন ভাৰতীয় পৰম্পৰাৰে গঢ়ি উঠিছিল। ৰজাৰ নিৰ্বাচন নীতি, ৰাজ্যৰ প্ৰতিৰক্ষা আৰু সম্প্ৰসাৰণ, সামৰিক বাহিনী গঠন, আৰ্যীকৰণ ৰীতি-ইত্যাদি দিশবোৰ মন কৰিবলগীয়া। স্বাভাৱিকতে ব্ৰাহ্মণ্য ৰীতিত শাসন কৰিবলৈ লোৱা প্ৰত্যেক প্ৰাচীন কামৰূপীয়া ৰজায়েই বৰ্ণাশ্ৰম প্ৰথাৰ সংৰক্ষণ আৰু তাৰ সম্প্ৰচাৰত মনোযোগ দিছিল। সেয়ে সেই সময়ছোৱাত সমাজত এহাতে বৰ্ণপ্ৰথাৰ বিস্তৃতি ঘটিছিল, আৰু আনহাতে সমাজত শ্ৰেণীবিভাজনো আৰম্ভ হৈছিল। শ্ৰেণী বিভাজিত সমাজ সদায় ৰাষ্ট্ৰগঠনৰ বাবে অনুকূল আছিল।

## মধ্যযুগৰ অসমত আহোম ৰাজ্যৰ প্ৰতিষ্ঠা

কামৰূপ ৰাজ্যখনৰ পতনৰ সময়ত সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা ৰাজনৈতিকভাৱে বিভাজিত হৈ পৰিছিল। সুদূৰ পশ্চিমে গঢ়ি উঠা কমতা ৰাজ্যখনো শেষ পৰ্যায়ত ছিন্ন-ভিন্ন হৈ পৰিছিল, আৰু সেই অৱস্থাৰ সুবিধালৈ কোঁচসকলক নেতৃত্ব দি ডেকাবীৰ বিশ্বসিংহই কোঁচৰাজ্য এখন স্থাপন কৰিছিল। তদুপৰি, প্ৰাচীন কামৰূপ ৰাজ্যখনৰ পৰাই উপজীৱ সংগ্ৰহ কৰি জমিদাৰ শ্ৰেণীৰ ভূঞাসকলে অ'ত-ত'ত সিঁচৰতি হৈ স্বাধীনভাৱে নিজৰ নিজৰ এলেকাবোৰত শাসন কৰিবলৈ লৈছিল। ইফালে উপত্যকাটোৰ দক্ষিণপাৰে বৰ্তমান গোলাঘাটৰ পৰা নগাঁৱলৈ এই বিস্তীৰ্ণ অঞ্চলটোত কছাৰীসকলে ৰাজ্য পাতি লৈছিল। সমসাময়িকভাৱে ব্ৰহ্মপুত্ৰ উপত্যকাৰ একেবাৰে উত্তৰ-পূব আৰু পূব অংশত ৰাজ্য পাতি লৈছিল চুতীয়াসকলে। তেনে সময়তে খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ প্ৰথম ভাগত মৰাণ-বৰাহীসকলৰ অধ্যুষিত দক্ষিণ-পূব অঞ্চলত আহোম ৰাজ্যখনৰ ভেটি প্ৰতিষ্ঠা হৈছিল। এই ৰাজনৈতিক ছবিখনৰ বিষয়ে ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। উল্লেখ যে এই বহু বিভাজিত ৰাজনৈতিক পৰিস্থিতিৰ অন্ত পেলাই আহোম ৰাজ্যখন খ্ৰীঃ ১৭ শতিকাৰ ভিতৰত সৰ্বব্যাপী সাৰ্বভৌম ৰাষ্ট্ৰ হিচাপে গঢ়ি উঠিল আৰু সেই সাৰ্বভৌম ৰাষ্ট্ৰখনেই অসম নামে জনাজাত হৈ বৰ্তমান অসমৰ জন্ম দিলে।

আহোমসকল টাই জাতিৰ অন্তৰ্গত শ্বানসকলৰ বংশধৰ আছিল। অসমলৈ অহাৰ পূৰ্বে তেওঁলোকে ব্ৰহ্মদেশৰ উত্তৰে আৰু চীনদেশৰ ইউনান প্ৰদেশৰ দক্ষিণে চীন আৰু ব্ৰহ্মদেশৰ সংলগ্ন ঠাইত গঢ়ি উঠা মাওলুং নামৰ ৰাষ্ট্ৰৰ অধিবাসী আছিল , আৰু তেওঁলোকৰ নেতৃত্ব দিয়া অসমত আহোম ৰাজ্য প্ৰতিষ্ঠা কৰা চাওলুং চুকাফা আছিল সেই ৰাজ্যৰ ৰাজবংশৰ সদস্য আৰু সিংহাসনৰ দাবীদাৰ। অনুঃ১২১৫ খ্ৰীঃত সিংহাসন লাভৰ পৰা বঞ্চিত হৈ চুকাফাই মাওলুং ৰাজ্য এৰি পৰিয়ালবৰ্গ আৰু কিছুসংখ্যক অনুগামীক লৈ অসমৰ ফাললৈ আগ

বাঢ়ে আৰু অসম-ব্ৰহ্মাৰ সীমাত থকা পাটকাই পৰ্বত পাৰ হৈ খ্ৰীঃ ১২২৮ চনত ব্ৰহ্মপুত্ৰ উপত্যকাত ভৰি দিয়ে। চুকাফাৰ লগত অহা লোকৰ সংখ্যা আছিল বৰ-কম; মহিলা প্ৰায় নাছিলেই। আনহাতে, চুকাফা পাৰ হৈ অহা সুদীৰ্ঘ পথছোৱা আছিল নগা, মৰাণ, বৰাহী আদি বিভিন্ন জনগোষ্ঠীৰ বাসস্থল। স্বাভাৱিকতে চুকাফাৰ যাত্ৰা আছিল নিতান্তই বিপদসংকুল । কিন্তু চুকাফাই মৰম আৰু বন্ধুত্বপূৰ্ণ ব্যৱহাৰৰ মাজেৰে মৰাণ-বৰাহী আদি লোকসকলক নিজৰ সমৰ্থক কৰি ল'বলৈ সক্ষম হৈছিল, আৰু তেওঁলোকৰ কন্যা বিয়া কৰাই সেই সকল লোকেৰে ঘৰুৱা সম্পৰ্ক গঢ়ি তুলিছিল। চুকাফাৰ এই বন্ধুত্বপূৰ্ণ ৰাজনীতিয়ে তেওঁৰ ৰাজ্য গঠন প্ৰক্ৰিয়াত প্ৰভূত সহায় কৰিছিল। অৱশ্যে নগা আদি কোনো কোনো জনজাতিৰ ক্ষেত্ৰত চুকাফাই সামৰিক আৰু দমন নীতিও অৱলম্বন কৰিব লগা হৈছিল। কাৰণ, তেওঁলোকৰ প্ৰৱল প্ৰতিৰোধৰ দেৱাল ভাঙি আগ বাঢ়ি যাবলৈ চুকাফাৰ বাবে সামৰিক নীতি গ্ৰহণ কৰাটো বাধ্যবাধক হৈ পৰিছিল। মন কৰিবলগীয়া যে নিজৰ শক্তি আৰু জনসংখ্যা বৃদ্ধিৰ অৰ্থে চুকাফাই তেওঁৰ যাত্ৰাপথত লগপোৱা প্ৰায়সকল জনগোষ্ঠীয় লোককে নিজৰ মাজত সুমুৱাই লৈ আহোমসকলৰ সদস্য কৰি লৈছিল। ফলত, অতি কম সংখ্যক অনুগামীৰে আহিলেও শেষ মুহূৰ্তত চুকাফাৰ লগৰীয়া আৰু সমৰ্থকৰ সংখ্যা বৃদ্ধি পাইছিল। এইদৰে সুদীৰ্ঘকাল যুঁজ-বাগৰ আৰু শান্তি-সম্প্ৰীতিৰ মাজেৰে পাৰ কৰি চুকাফাই খ্ৰীঃ ১২৫৩ চনত বৰ্তমান অবিভক্ত শিৱসাগৰ জিলাৰ দক্ষিণ-পূবে চৰাইদেউ পাহাৰত ৰাজধানী পাতি আহোম ৰাজ্যৰ ভেটি প্ৰতিষ্ঠা কৰে। চুকাফাৰ বংশধৰ প্ৰায় দুকুৰিজন ৰজাই ৰাজত্ব কৰিছিল আৰু তেওঁলোকৰ শাসন একেলেথাৰিয়ে প্ৰায় ছশ বছৰ কাললৈ চলিছিল। আহোম শাসনৰ অন্তত ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধত খ্ৰীঃ ১৮২৬ চনত তেওঁলোকৰ ৰাজ্যখন ব্ৰিটিছৰ হাতলৈ যায়, আৰু ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে দেশে বৃটিছৰ শাসনৰপৰা স্বাধীনতা পোৱাৰ লগতে দেশৰ একাংশ হিচাপে অসমো স্বাধীন ভাৰতৰ অংশ হৈ পৰে।

আহোমসকলক অসমীয়া ভাষাত 'অসম' বুলি কোৱা হৈছিল। মহাপুৰুষ শংকৰদেৱে তেওঁৰ দশম স্কন্ধ ভাগৱতৰ অসমীয়া অনুবাদত এই নামেৰে আহোম সকলৰ উল্লেখ কৰি থৈ গৈছে। সেই অসমৰ পৰাই তেওঁলোকৰ শাসিত ৰাজ্যখনৰ নাম শেষলৈ অসম হয়। আজিৰ 'অসম' নামটো আহোমসকলৰ নামৰ পৰাই সেয়ে হৈছে।



স্বৰ্গদেউ চুকাফা

প্ৰতিষ্ঠাপনৰ সময়ৰ পৰা প্ৰথম তিনিশ বছৰমান কাললৈ আহোম ৰাজ্যখনৰ বিশেষ সম্প্ৰসাৰণ হোৱা নাছিল। কিন্তু, খ্ৰীঃ ১৬ শতিকাৰ আৰম্ভণিৰে পৰা স্বৰ্গদেউ চুহুংমুং ওৰফে দিহিঙ্গীয়া ৰজাৰ ৰাজত্ব কালত ৰাজ্যখনৰ পশ্চিমমুখী সম্প্ৰসাৰণ আৰম্ভ হয়, আৰু উত্তৰ-পূব দিশতো ইয়াৰ পৰিসীমা বৃদ্ধি পায়। তেওঁৰ দিনতে কছাৰীৰাজ্য জয় কৰি ডিমাপুৰ পৰ্যন্ত বিস্তৃত অঞ্চলখিনি সংযোগ হোৱাৰ উপৰিও পূৰ্বে চুতীয়া ৰাজ্যখনো আহোম ৰাজ্যৰ অন্তৰ্গত কৰি লোৱা হয়। এই বিষয়ে ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। ইয়াৰ উপৰি ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে থকা ভূঞা সামন্তসকলক পৰাজিত কৰি তেওঁলোকৰ অধিকৃত অঞ্চলখিনিও পশ্চিমে নাৰায়ণপুৰ পৰ্যন্ত স্বৰ্গদেউ চুহুংমুঙে সামৰি লয়। এইজন ৰজাৰ সময়ত বঙ্গৰ মুছলমান সেনাপতি তুৰ্বক খানে অসম আক্ৰমণ কৰে। কিন্তু যুদ্ধত হাৰি উভতি যাবলৈ তেওঁ বাধ্য হয়। তুৰ্বকৰ লগত যুদ্ধ কৰি ফ্ৰাচেংমুং বৰগোহাঁইৰ লগতে তেওঁৰ পত্নী বীৰাঙ্গনা মূলাগাভৰুৰেও মৃত্যু বৰণ কৰে। তুৰ্বকক হৰুৱাই আহোম সেনাই তুৰ্বকৰ সেনা বাহিনীক পিছুৱাই নি কৰতোয়াৰ সিপাৰ কৰি থৈ আহে আৰু কৰতোয়া পৰ্যন্ত পশ্চিমে আহোমৰাজৰ একাধিপত্য বিস্তাৰ কৰে।

পশ্চিমমুখী সম্প্ৰসাৰণৰ লগে লগে আহোম ৰাজ্যখন ক্ৰমে পশ্চিমৰ অন্যান্য ৰাজনৈতিক শক্তিসমূহৰ প্ৰধান প্ৰতিদ্বন্দ্বী হিচাপে থিয় দিয়ে। এই দৰে খ্ৰীঃ সপ্তদশ শতিকাৰ কালছোৱাত কোঁচবেহাৰ কেন্দ্ৰিক কোঁচৰাজ্যখনৰ বিভাজন আৰু অৱনতিৰ ফলস্বৰূপে কেনেকৈ আহোম ৰাজ্যখন মোগল সাম্ৰাজ্যৰ প্ৰত্যক্ষ শত্ৰুত পৰিণত হৈ পৰিছিল সেই বিষয়ে ইতিমধ্যে কৈ অহা হৈছে। ফলত স্বৰ্গদেউ প্ৰতাপসিংহ ওৰফে বুদ্ধি স্বৰ্গ নাৰায়ণৰ দিনত (খ্ৰীঃ১৬০৩-১৬৪১) প্ৰায় তিনিদশক কালজুৰি একেৰাহে আহোম আৰু মোগলৰ মাজত সংঘৰ্ষ চলে। এই সুদীৰ্ঘ কালৰ সংঘৰ্ষৰ ফলত কোনোটো দলেই চূড়ান্ত বিজয়ী হ'ব পৰা নাছিল। কিন্তু তথাপি মোগল সেনাক হৰুৱাই তেওঁলোকৰ হাতৰ পৰা দক্ষিণে গুৱাহাটী সহ উত্তৰ পাৰে বৰনদীলৈকে এই অঞ্চলখিনি আহোম স্বৰ্গদেউ প্ৰতাপ সিংহই হস্তগত কৰে আৰু ১৬৩৯ খ্ৰীঃত অসুৰৰ আলিৰ সন্ধি অনুযায়ী মোগল ফৌজদাৰ আল্লা-ইয়াৰ-খানেও আহোম স্বৰ্গদেউৰ সেই অধিকাৰ মানি লয়। কিন্তু তেওঁলোকৰ মাজত আৰম্ভ হোৱা প্ৰতিদ্বন্দ্বিতা তেতিয়াও অন্ত নপৰিল। ফলত স্বৰ্গদেউ প্ৰতাপসিংহৰ পৰৱৰ্তী কালত স্বৰ্গদেউ জয়ধ্বজ সিংহৰ ৰাজত্ব কালত (খ্ৰীঃ ১৬৪৮-১৬৬৩) সম্ৰাট ঔৰংগজেৱৰ প্ৰধান সেনাপতি মিৰ্জুমলাই আহোম ৰাজ্য আক্ৰমণ কৰে আৰু স্বৰ্গদেউ জয়ধ্বজ সিংহক পৰাজিত কৰি ৰাজধানী গড়গাঁও পৰ্যন্ত মোগলৰ আধিপত্য স্থাপন কৰে। পিছে নানান প্ৰাকৃতিক কাৰণ আৰু ভাগি পৰা স্বাস্থ্যৰ হেতুকে মিৰ্জুমলা অধিক কালৰ বাবে গড়গাঁৱত সৰ্বময়কৰ্তা হৈ থাকিব নোৱাৰিলে। খ্ৰীঃ ১৬৬২ চনত স্বৰ্গদেউৰ লগত আত্মৰক্ষাৰ বাবে ঘিলাঝৰী ঘাটৰ সন্ধি স্বাক্ষৰ কৰি অসম এৰি তেওঁ গুচি গ'ল। এই সন্ধিৰ চৰ্তমতে স্বৰ্গদেউৰে মোগল সম্ৰাটক বাৰ্ষিক কৰ শোধাই থাকিবলৈ মান্তি হ'ল আৰু আহোম স্বৰ্গদেউ মোগল সম্ৰাটৰ অধীন

হ'ল। ইয়াৰ উপৰি উত্তৰে ভৰলী আৰু দক্ষিণে কলং পৰ্যন্ত গুৱাহাটীসহ কামৰূপখণ্ডও মোগলৰ হাতত পৰিল। ফলত পূৰ্বে প্ৰতাপ সিংহৰ দিনত লাভ কৰা এক বৃহৎ অংশৰাজ্য আহোম স্বৰ্গদেউৱে হেৰুৱাব লগা হ'ল।

পৰাজয় আৰু পৰাধীনতাৰ গ্লানি সহিব নোৱাৰি স্বৰ্গদেউ জয়ধ্বজসিংহৰ অতি কমদিনৰ ভিতৰতে মৃত্যু হোৱাত চক্ৰধ্বজসিংহ (১৬৬৩-১৬৬৯) স্বৰ্গদেউ হৈ ৰাজসিংহাসন আৰোহণ কৰে। চক্ৰধ্বজ সিংহ এজন অতি তীব্ৰ দেশপ্ৰেমী ৰজা আছিল। গতিকে সিংহাসন আৰোহণ কৰাৰ পিছতেই তেওঁ মোগলৰ বশ্যতা অস্বীকাৰ কৰি ক'বলৈ ধৰিলে ঃ "বাঙ্গালৰ অধীন হৈ থকাতকৈ মৰণেহে যুগুত।" এই ভাবি মন্ত্ৰীপৰিষদেৰে আলোচনা কৰি তেওঁ গুৱাহাটী উদ্ধাৰৰ পৰিকল্পনা কৰিলে। স্বৰ্গদেউৰ এই পৰিকল্পনাৰ প্ৰধান উপদেষ্টা আছিল 'ৰাজমন্ত্ৰী' আতন বুঢ়াগোহাঁই ডাঙৰীয়া। উল্লেখ আছে যে মোগলক গুৱাহাটীৰ পৰা খেদাই নিজৰ স্বাধীনতা উদ্ধাৰৰ এই প্ৰচেষ্টাৰ প্ৰধান দুই পুৰুষ আছিল এই গৰাকী ৰাজমন্ত্ৰী আৰু গুৱাহাটীলৈ 'বৰফুকন'পাতি পঠোৱা পূৰ্বৰ 'বৰবৰুৱা' মোমাই তামুলীৰ পুত্ৰ লাচিত (অৰ্থাৎ লাচিত বৰ ফুকন)। লাচিত বৰফুকন আৰু আতন বুঢ়াগোহাঁই- উভয়ে দেশ-প্ৰেমী আৰু ৰাজনীতিত বিচক্ষণ তথা কৌশলী যুঁজাৰু বীৰ আছিল। লাচিত বৰফুকনে নিজেই মোগলক খেদাই গুৱাহাটী উদ্ধাৰ আৰু মোগলৰ অধীনৰপৰা স্বাধীনতা লোৱা সংগ্ৰামৰ প্ৰধান সেনাপতি আছিল। উল্লেখ আছে যে অসমৰ ৰজাৰ এই আয়োজনত জয়ন্তীয়া, কছাৰী, আদি চুবুৰীয়া সকলো ৰাজ্যৰ ৰজাই যোগ দিছিল। এইদৰে সকলো প্ৰকাৰ আয়োজন কৰি আতন বুঢ়াগোহাঁই আৰু লাচিত বৰফুকনৰ পৰিচালনাত যোৱা অসমীয়া সেনাবাহিনীয়ে মোগলৰ ছাউনী ভাঙি সেইবোৰ এটাৰ পিছত এটাকৈ অধিকাৰ কৰি গৈ শেষত গুৱাহাটী অধিকাৰ কৰিলে। পিছে এইদৰে হেৰোৱা গুৱাহাটীৰ দাবীতে মোগল সম্ৰাট ঔৰংগজেৱে ৰামসিংহক প্ৰধান সেনাপতি পাতি অনতিপলমে অসম আক্ৰমণ কৰিবলৈ পঠাইছিল। কবলৈ গ'লে সম- সাময়িক এছিয়াৰ আটাইতকৈ বৃহৎ সাম্ৰাজ্যখনৰ সম্ৰাট ঔৰংগজেৱে ৰামসিংহৰ অধীনত পঠোৱা সেই অভিযানৰ সামৰণি কেনেকুৱা হ'ব- তাক পূৰ্বেই ভৱিষ্যৎ বাণী কৰিব পৰা বিধৰ আছিল। কাৰণ, মোগল ভাৰতৰ তুলনাত অসম আৰু ইয়াৰ শক্তি আছিল তেনেই নগণ্য। কিন্তু অসম আৰু ইয়াৰ কেউকাষৰ ৰাজ্যবোৰৰ পৰা লাভ কৰা সমৰ্থন অসমৰ ভৌগোলিক পৰিৱেশ, আৰু সৰ্বোপৰি, প্ৰধান সেনাপতি লাচিত বৰফুকন আৰু ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁইৰ ৰণ কৌশল, ৰাজনৈতিক আৰু কূটনৈতিক বিচক্ষণতা, আৰু গভীৰ স্বদেশ প্ৰেমৰ আগত বৃহৎ মোগল সেনা বাহিনী পৰাজিত হৈ অসম এৰি উভতি যাবলৈ বাধ্য হ'ল। অসমীয়া সেনায়ো মোগলক খেদি নি মানাহৰ সিপাৰ কৰি দি দক্ষিণে গোৱালপাৰা আৰু উত্তৰে মানাহত ৰাজ্যৰ পশ্চিম সীমা নিৰ্ধাৰণ কৰিলে। ৰামসিংহৰে হোৱা এইখন যুদ্ধই আছিল বিখ্যাত শৰাইঘাটৰ যুদ্ধ। ব্ৰহ্মপুত্ৰৰ বুকুত হোৱা এই যুদ্ধখনৰ চূড়ান্ত দিনটো আছিল ১৬৭১ চনৰ

DAILY ASSAM



এপ্ৰিল মাহৰ ৫ তাৰিখ। তেতিয়াৰ পৰাই গুৱাহাটীতে বৰফুকনৰ প্ৰধান কাৰ্যালয় স্থাপন হ'ল।

শৰাইঘাটৰ যুদ্ধৰ পিছতে লাচিত বৰফুকনৰ মৃত্যু হয়, আৰু আতন বুঢ়াগোহাঁয়েও গুৱাহাটী এৰি ৰাজধানী গড়গাঁৱলৈ উভতি যায়। সেই সুবিধাতে মোগলে কিছুদিনৰ কাৰণে পুনৰ গুৱাহাটী অধিকাৰ কৰি লৈছিল। প্ৰকৃততে ৰাজধানীত সংঘটিত হোৱা ভিতৰুৱা কুট-কৌশল আৰু আতন বুঢ়াগোহাঁইৰ হত্যাইহে মোগলক পুনৰ গুৱাহাটী অধিকাৰ কৰি লবলৈ প্ৰৰোচিত কৰিছিল। কিন্তু সেই অধিকাৰ আছিল খন্তেকীয়া। অতি কম সময়ৰ ভিতৰতে স্বৰ্গদেউ গদাধৰ সিংহৰ সময়ত অসমীয়া সেনাই মোগলক হৰুৱাই মানাহ পৰ্যন্ত ঠাইখিনি পুনৰ অসমৰ অন্তৰ্গত কৰি লয়। বস্তুতঃপক্ষে ব্ৰিটিছে অসম লোৱালৈকে অসম ৰাজ্যখনৰ পশ্চিম সীমা মানাহ আৰু গোৱালপাৰতেই সীমাবদ্ধ আছিল। মানাহৰ সিপাৰে গোৱালপাৰাৰ বাকী অঞ্চলখিনি পূৰ্বে কোঁচবেহাৰৰ অংশৰূপে ১৭৫৭ খ্ৰীষ্টাব্দৰ পৰা ইষ্ট ইণ্ডিয়া কোম্পানীৰ দখলত আছিল। ১৮৭৪ চনতহে সেইখণ্ড ঠাই ব্ৰিটিছে অসমৰ লগত সংলগ্ন কৰে। আমি মনত ৰাখিব লাগিব যে এইদৰে মানাহ পৰ্যন্ত ব্ৰহ্মপুত্ৰৰ দুইপাৰৰ সমগ্ৰ অঞ্চলটো একত্ৰিত হৈয়ে আধুনিক অসম ৰাজ্যখনৰ ভেটি তৈয়াৰ হ'ল। ইয়াৰ মূলতে আছিল আহোম স্বৰ্গদেউসকলৰ ৰাজনৈতিক ভূমিকা। ব্ৰিটিছৰ হাতত পূৰ্বৰ কছাৰী আৰু কোঁচ ৰাজ্যৰ কিছু কিছু অঞ্চল ইয়াৰ সংলগ্ন হৈ আজিৰ অসমৰ ভৌগোলিক চাৰিসীমা তৈয়াৰ হৈছে।

আহোম ৰাজতন্ত্ৰ আৰু তেওঁলোকৰ ৰাষ্ট্ৰযন্ত্ৰটোৰো প্ৰাচীন কামৰূপীয়া ৰাজতন্ত্ৰ আৰু ৰাজ্যখনৰ অন্ততঃ তত্ত্বগত দিশত কিছুমান মিল আছিল। প্ৰাচীন কামৰূপীয়া ৰজা সকলৰ দৰে আহোম ৰজা সকলেও নিজকে দেৱতাৰ বংশধৰ বুলি কৈ স্বৰ্গৰাজ ইন্দ্ৰ বা নিজৰ পূৰ্বৰ ধৰ্ম বিশ্বাস লগত লৈ আহিছিল। অসমত তেওঁলোকে ব্ৰাহ্মণ্য হিন্দুধৰ্ম গ্ৰহণ কৰিছিল আৰু ইয়াৰ পৃষ্ঠপোষকতাও কৰিছিল। এই ব্ৰাহ্মণ্যকৰণৰ ফলস্বৰূপেই তেওঁলোকক হিন্দুৰ দেৱতা ইন্দ্ৰৰ লগত সম্পৰ্কিত কৰি ব্ৰাহ্মণ- পুৰোহিতসকলে 'স্বৰ্গদেউ' বুলি নামকৰণ কৰিছিল। চুহুংমং দিহিঙ্গীয়া ৰজাই (১৪৯৭-১৫৩৯) এইদৰে দৈৱিক সূত্ৰৰ আধাৰত 'স্বৰ্গদেউ' হৈ সৰ্বপ্ৰথমে স্বৰ্গনাৰায়ণ' নাম গ্ৰহণ কৰিছিল আৰু ৰাজ্যৰ সকলোবোৰ তথ্যতে আহোম ভাষাৰ চন-তাৰিখ লিখোৱাৰ উপৰি শকাব্দ ব্যৱহাৰ কৰিবলৈ নীতি উলিয়াইছিল।

আহোম ৰাজতন্ত্ৰৰ শীৰ্ষত আছিল স্বৰ্গদেউ । কিন্তু তেওঁক নিৰ্বাচন কৰিব পৰাৰ ক্ষমতা আছিল তিনি গৰাকী প্ৰধান মন্ত্ৰীৰ হাতত। তেওঁলোক আছিল বুঢ়াগোহাঁই, বৰগোহাঁই আৰু বৰপাত্ৰ গোহাঁই। ৰজা নিৰ্বাচন কৰিব পাৰিছিল কেৱল চুকাফাৰপৰা অহা ৰাজ পৰিয়ালটোৰ সদস্যসকলৰ মাজৰ পৰাহে। সেইদৰে মন্ত্ৰী পৰিষদৰ সদস্যকেইজনো নিৰ্দিষ্ট পৰিয়ালৰ পৰাহে নিয়োগ কৰা হৈছিল। উল্লেখ্য যে ৰজাক যেনেকৈ তিনিগৰাকী মন্ত্ৰী বা 'ডাঙৰীয়া' ই নিৰ্বাচন কৰিবৰ অধিকাৰ আছিল, ডাঙৰীয়াসকলকো তেনেকৈ স্বৰ্গদেৱেহে ভঙা-পতা কৰিব পাৰিছিল। ফলত আহোম ৰাজতন্ত্ৰৰ চৰিত্ৰ আছিল এক প্ৰকাৰ এখন ক'অপাৰেটিভ (Cooperative) সমাজৰ দৰে।

ক্ষমতা কেতিয়াও কাৰো হাতত কেন্দ্ৰীভূত হ'ব নোৱাৰিছিল। ফলত কোঁচ ৰাজ্যৰ দৰে আহোম ৰাজ্যখন হোৱাৰ পৰা ৰক্ষা কৰিছিল; আৰু অন্ততঃ যিকোনো সদস্যই ক্ষমতা পালেই সিংহাসনৰ দাবী কৰিব নোৱাৰিছিল। ৰাষ্ট্ৰৰ উত্তৰাধিকাৰ নীতি আছিল অলঙঘনীয়, কটকটীয়া। ছয়শ বছৰ কাল একেলেথাৰিয়ে ৰাজ্য শাসন কৰি থাকিব পৰাৰ গুৰিতে আহোম ৰাষ্ট্ৰযন্ত্ৰৰ নীতিয়েই আছিল।

ৰাষ্ট্ৰযন্ত্ৰত স্বৰ্গদেউ বা ৰজাই সৰ্বেসৰ্বা আছিল আৰু যিকোনো নীতিৰ ৰূপায়নৰ সিদ্ধান্ত শেষ পৰ্যায়ত স্বৰ্গদেৱেই লৈছিল। কিন্তু প্ৰাচীন ভাৰতীয় ৰাষ্ট্ৰ যন্ত্ৰ এটাৰ দৰে আহোম- ৰাষ্ট্ৰটো এক কেন্দ্ৰিক আৰু প্ৰশাসনৰ সকলো দায়িত্ব তেওঁৰ হাততে কেন্দ্ৰিভূত কৰা নহৈছিল। বুঢ়াগোহাঁই, বৰগোহাঁই, বৰপাত্ৰ গোহাঁই, বৰবৰুৱা আৰু বৰফুকনৰ নিজা নিজা শাসনাধীন ৰাজহ- এলেকা আছিল। গুৱাহাটীত কাৰ্যালয় থকা বৰফুকনে নিজৰ দায়িত্ব পালনত স্বৰ্গদেউৰ হৈ চীল-মোহৰ মাৰি ৰাজকাৰ্য সম্পাদন কৰাৰ অধিকাৰো পাইছিল। সেইদৰে সীমান্তত থকা শ'লাল গোহাঁই, মৰঙ্গীখোৱা গোহাঁই, শদিয়াখোৱা গোহাঁই- এই সকল সীমান্তীয় শাসনকৰ্তাৰ স্বাধীন দায়িত্ব আছিল। তেওঁলোকে চুবুৰীয়া সীমামূৰীয়া জনজাতিসকলৰ লগত ৰখা ৰাজনৈতিক সম্পৰ্কৰ বাহিৰেও সীমা সুৰক্ষা আৰু সম্প্ৰসাৰণৰ দায়িত্বও ল'ব লাগিছিল- নতুন মাটি মুকলি কৰি আৰু নতুন নতুন গাঁও স্থাপন কৰি। এই সকল প্ৰশাসক বা মন্ত্ৰীৰ শাসনাধীন এলেকাবোৰক প্ৰায়ে ৰাজ্য বুলি কোৱা হৈছিল। ফলত ৰাজ্যৰ বৈশিষ্ট্য হৈছিল এক প্ৰকাৰ খণ্ডিত প্ৰশাসনৰ (fragmentary)।


আহোমৰ শাসনৰ প্ৰধান বৈশিষ্ট্য আছিল এয়ে যে তেওঁলোকে এখন স্বনিৰ্ভৰশীল সমাজ তৈয়াৰ কৰিব বিচাৰিছিল। সেই অৰ্থতে সকলো কৃষক পৰিয়ালৰে কৃষি- উপযোগী মাটি একখণ্ড থকাটো বাধ্যবাধক আছিল। ফলত মোগল ভাৰতৰ দৰে মধ্যযুগত আহোম ৰাষ্ট্ৰখনত কোনো ভূমিহীন প্ৰজা নাছিল। স্ব-উপাৰ্জন আৰু ৰাষ্ট্ৰৰ উন্নতি আৰু অৱস্থিতিৰ বাবে প্ৰত্যেক কৰ্মঠ মুনিহ-তিৰোতাই কাম কৰিব লাগিছিল। ফলত আকালৰ সময়ৰ ব্যতিৰেকে দেশত কোনো ভিক্ষাৰী নাছিল। বৈষ্ণৱ গুৰুসকলে উপাৰ্জন কৰি বিত্তৱান হোৱাৰ কোনো দৰ্শন পোষণ নকৰিছিল বাবে তেওঁলোকে নিজৰ থকা খিনিও ত্যাগহে কৰিছিল।

ৰাষ্ট্ৰৰ সীমা সুৰক্ষা আৰু বিদেশীৰ লগত সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত ৰাজ্যৰ প্ৰশাসন আছিল অতি কঠোৰ । এচিকটা মাটি বিদেশীৰ হাতত পৰিলেও স্বৰ্গদেৱে 'এগৰাহ ভাতো' মুখলৈ নিবৰ ইচ্ছা নকৰিছিল। সেইদৰে ৰাজ্যখনৰ প্ৰজাক ৰাজ্য এৰি বিদেশীৰে মিলামিচা কৰিবলৈ নিদিছিল, আৰু বিদেশীকো, বিশেষ ৰীতি-নীতি পালনৰ ব্যতিৰেকে ৰাজ্যত সোমাবলৈ দিয়া নহৈছিল। কিন্তু, চুবুৰীয়া পাহাৰীয়া জন-জাতি-যেনে মিৰি (বৰ্তমান মিচিং), নগা, দফলা (নিছি), আবৰ (আদি), অকাঁ (হ্রুচ) আদি সকলৰ লগত ভাতৃবৎ মিলাপ্ৰীতিৰে বসবাস কৰাৰ তেওঁলোকৰ নীতি আছিল। সেয়েহে সেই সকললোকৰ জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজন হোৱা

দ্ৰব্যসমূহ ভৈয়ামৰ পৰা সংগ্ৰহ কৰি নিব পৰাকৈ ৰাষ্ট্ৰনীতি তৈয়াৰ কৰিছিল। এই নীতিকে 'পঁচা- প্ৰথা' বুলি বুৰঞ্জীত উল্লেখ কৰিছে।

ৰাষ্ট্ৰৰ ধৰ্মনীতি আছিল সহনশীলতাৰ নীতি (Policy of toleration)। বৌদ্ধ, তন্ত্ৰ,শৈৱ, শক্তি,বৈষ্ণৱ, বৈদিক, অবৈদিক-সকলো বিশ্বাসৰ স্থল অসমত ৰজা সকলে সকলো শ্ৰেণীৰ বিশ্বাসী ভক্তকে তেওঁলোকৰ নিজা নিজা পৰম্পৰা আৰু বিশ্বাসমতে ধৰ্ম কৰ্ম কৰাৰ অধিকাৰ দিছিল। অৱশ্যে মুছলমানসকলে মুকলিকৈ মছজিদ নিৰ্মাণ কৰাৰ প্ৰমাণ পোৱা নাযায়। কিন্তু ছুফীবাদী সন্ন্যাসীসকলৰ নিজা নিজা প্ৰচাৰকেন্দ্ৰ আছিল। সেই কেন্দ্ৰ বা দৰগাহ বিলাকৰ ভৰণ- পোষণাৰ্থে ৰজাসকলে মাটি-বৃত্তিও দান দিছিল। সেই দৰে আমি শিৱসাগৰৰ সৰাঁগুৰি চাপৰিত আজান পীৰ বা আজান ফকীৰ আৰু হাজোত গিয়াছুদ্দিন আউলিয়াৰ দৰগাহ স্থাপন হোৱাৰ কথা জানিব পাৰো। বৃটিছে অসমত প্ৰৱেশ আৰু অধিকাৰ কৰাৰ পৰা খ্ৰীষ্ট ধৰ্ম অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ কোনো লোকৰ মাজত প্ৰচাৰ হয়। অসমত প্ৰধানভাৱে আহোম-কোঁচ ৰজাসকলৰ সময়ত প্ৰচলিত থকা ধৰ্মবিশ্বাস আছিল শৈৱ, শক্তি, তান্ত্ৰিক, বৈষ্ণৱ আৰু বৈদিক বিশ্বাসৰ ধৰ্মীয় ধাৰাবোৰ। মহাপুৰুষ শঙ্কৰদেৱে খ্ৰীঃ ১৫-১৬ শতিকাত প্ৰচাৰ কৰা ভক্তি বৈষ্ণৱ ধৰ্মীয় পৰম্পৰা আছিল এইবোৰৰ ভিতৰত অন্যতম প্ৰধান ধাৰা। সত্ৰ আৰু নামঘৰ আছিল এই পৰম্পৰাৰ প্ৰধান অনুষ্ঠান। শৈৱ-শক্তি-বৈদিক পৰম্পৰা প্ৰদান ধৰ্মীয় অনুষ্ঠান আছিল মন্দিৰসমূহ। শিৱসাগৰৰ শিৱ, দেৱী,আৰু বিষ্ণু মন্দিৰ সমূহ, গুৱাহাটীৰ কামাখ্যা আৰু হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ- এইবোৰৰ ভিতৰত প্ৰখ্যাত আছিল। বৰ্তমানো সেইবোৰ মন্দিৰৰ গুৰুত্ব কমি যোৱা নাই। সেইদৰে জনজাতি বা অহিন্দু লোকসকলেও নিজৰ নিজৰ পৰম্পৰামতে ধৰ্ম- কৰ্ম পালন কৰিছিল।

DAILY ASSAM


অসম ৰাজ্য ........
গদাধৰ সিংহৰ ৰাজত্ব কালৰ পৰা
ইয়াণ্ডাবু সন্ধিলৈ
ব্ৰিটিছ ৰাজ্য
স্কেল ১ = ৪৮ মাইল
ত্ৰিপুৰা

## জানিবলগীয়া তথ্য

- সমুদ্ৰগুপ্তৰ (খ্ৰীঃ ৩৫০-৩৭৫) এলাহাবাদ বিখ্যাত স্তম্ভ লিপিত কামৰূপ নামটো প্ৰথম উল্লেখ কৰা দেখা যায়। এই লিপি হৰিসেনৰ দ্বাৰা প্ৰণীত।
- আহোম ৰাজবংশৰ নাম অনুসৰি তেওঁলোকৰ দ্বাৰা শাসিত অঞ্চলটোক বুজাবলৈ 'অসম' নামটো প্ৰচলিত হয়।
- কৰতোয়া নদী ঃ পুন্দ্ৰবৰ্ধনৰ (উত্তৰবংগ) পুব আৰু কামৰূপৰ পশ্চিম সীমাত থকা এখন ডাঙৰ নৈ।
- কামৰূপৰ চাৰিটা ভাগ — কৰতোয়াৰপৰা সোণকোষলৈ ৰত্নপীঠ, সোণকোষৰ পৰা কপিলীলৈ কামপীঠ, পুষ্পিকাৰ পৰা ভৈৰৱীলৈ স্বৰ্ণপীঠ বা ভদ্ৰপীঠ, আৰু ভৈৰৱীৰপৰা দিক্‌ৰাই পৰ্যন্ত সৌমাৰপীঠ।
- শদিয়া খোৱা গোহাঁই — চুতীয়া অধিকৃত শদিয়া শাসন কৰিবলৈ আহোম ৰজাই নিযুক্তি দিয়া প্ৰশাসনীয় বিষয়া।
- মৰঙি খোৱা গোহাঁই — ডিমাপুৰ পৰ্যন্ত কছাৰী ৰাজ্যখন শাসন চলাবলৈ নিযুক্তি দিয়া বিষয়া।
- সোণকোষ নৈৰ পৰা পূবে বৰনদীলৈ পূবখণ্ড ৰাজ্যৰ নাম কোঁচহাজো বা কামৰূপ আৰু সোণকোষৰ পৰা পশ্চিমে কোঁচবেহাৰলৈ-পশ্চিম খণ্ড ৰাজ্যৰ কোঁচবেহাৰ।
- অনুঃ খ্ৰীঃ ৪ৰ্থ শতিকাৰ মাজভাগত প্ৰতিষ্ঠা হোৱা বৰ্মন বংশৰ প্ৰতিষ্ঠাতা আছিল পুষ্যবৰ্মন।
- শালস্তম্ভ বংশৰ ৰজাসকলৰ ৰাজধানী হাৰুপেশ্বৰ বা হটপেশ্বৰ নগৰ ব্ৰহ্মপুত্ৰৰ পাৰত আছিল।
- শ্ৰীদুৰ্জয়া নামৰ ঠাইত নতুনকৈ ৰাজধানী পাতি ৰত্নপালে ইয়াত নানান কাৰুকাৰ্যখচিত অট্টালিকা নিৰ্মাণ কৰিছিল।
- মাধৱ কন্দলীয়ে ৰামায়ণ অনুবাদ কৰি অসমীয়া ভাষা চহকী কৰিছিল।
- ৰাষ্ট্ৰৰ অৰ্থনীতি আছিল মূলতঃ কৃষিভিত্তিক। অৱশ্যে বেপাৰ-বাণিজ্যও কিছু আছিল।
- ভাস্কৰ বৰ্মনে চীনদেশৰ পৰা তাত ধৰ্মৰ ধৰ্মীয় গ্ৰন্থ 'তাও-তো-কিং' অনাই সংস্কৃত ভাষালৈ অনুবাদ কৰাইছিল।
- আহোমসকল টাই জাতিৰ অন্তৰ্গত শ্বানসকলৰ বংশধৰ আছিল।
- চুকাফাই খ্ৰীঃ ১২৫৩ চনত বৰ্তমান অবিভক্ত শিৱসাগৰ জিলাৰ দক্ষিণ-পূবে চৰাইদেউ পাহাৰত ৰাজধানী পাতি আহোম ৰাজ্যৰ ভেটি প্ৰতিষ্ঠা কৰে।
- ১৬৩৯ খ্ৰীঃত ঘিলাঝাৰী সন্ধি সম্পন্ন হয়।
- "বাঙ্গালৰ অধীন হৈ থকাতকৈ মৰণেহে যুগুত" — চক্ৰধ্বজ সিংহই উক্তি কৰিছিল।
- চুহুংমং দিহিঙ্গীয়া ৰজাই সৰ্বপ্ৰথমে স্বৰ্গনাৰায়ণ নাম গ্ৰহণ কৰিছিল।
- ৰাষ্ট্ৰযন্ত্ৰত স্বৰ্গদেউ বা ৰজাই সৰ্বেসৰ্বা আছিল আৰু যিকোনো নীতিৰ ৰূপায়নৰ সিদ্ধান্ত শেষ পৰ্যায়ত স্বৰ্গদেৱেই লৈছিল।

## অনুশীলনী

**তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ**

১। (ক) বৰ্মন বংশৰ প্ৰতিষ্ঠাতা কোন?

(খ) বৰ্মন বংশীয় কোনজন ৰজাৰ হৰ্ষবৰ্ধনৰ লগত মিত্ৰতা আছিল?

(গ) হিউৱেনচাং কাৰ দিনত কামৰূপলৈ আহিছিল?

(ঘ) কোনজন ৰজাই কামৰূপৰ ৰাজধানী কমতাপুৰলৈ স্থানান্তৰিত কৰিছিল?

(ঙ) অসমীয়া ভাষালৈ পোন প্ৰথমতে ৰামায়ণ কোনে অনুবাদ কৰিছিল?

(চ) আহোমসকল কোন জাতিৰ অন্তৰ্গত?

২। প্ৰাচীন অসমৰ ভৌগোলিক পৰিসীমা সম্পৰ্কে এটা টোকা যুগুতোৱা।

৩। প্ৰাচীন কামৰূপৰ ৰাজনৈতিক উত্থান-পতনত ৰাজবংশসমূহৰ কাৰ্যকৰিতা বৰ্ণনা কৰা।

৪। মধ্যযুগীয় অসমৰ ৰাজনৈতিক পৰিস্থিতি কেনেধৰণৰ আছিল? ব্ৰহ্মপুত্ৰ উপত্যকাত আহোম ৰাজতন্ত্ৰৰ প্ৰতিষ্ঠা সন্দৰ্ভত আলোচনা কৰা।

●●●

DAILY ASSAM